সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17


গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ০৪ সংখ্যা, ১২ মাঘ, ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ / ১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No.04 Date Of Publication - 26 January 2025 Rs.10.00/-

## নৃত্যাচাৰ্য যতীন গোস্বামীলৈ কেন্দ্ৰীয় চৰকাৰৰ পদ্ম ভূষণ সন্মান



ৰঙিলী বাৰ্ত্তাসেৱা- গণৰাজ্য দিৱসৰ প্ৰাককণত সমাজৰ বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা বিশেষ অৱদানৰ বাবে দেশৰ ৭ গৰাকী বিশিষ্ট ব্যক্তিক পদ্মবিভূষণ, ১৯গৰাকী বিশিষ্ট ব্যক্তিক পদ্মভূষণ আৰু ১১৩গৰাকী বিশিষ্ট ব্যক্তিক পদ্মশ্ৰী বঁটাৰে সন্মানিত কৰা হৈছে। দেশৰ মুঠ ১৯ গৰাকী বিশিষ্ট ব্যক্তিৰ ভিতৰত অসমৰ নৃত্যাচাৰ্য যতীন গোস্বামীক দেশৰ তৃতীয় অসামৰিক সন্মান পদ্ম ভূষণ সন্মানৰে সন্মানিত কৰা হৈছে। আনহাতে, পদ্মশ্ৰী বঁটাৰে সন্মানিত হৈছে ডিমাচা জনজাতিৰ লোক-সংগীতৰ অনবদ্য অৱদানৰ বাবে জয়নাচৰণ বাথাৰী, বিশিষ্ট সাহিত্যিক-শিক্ষাবিদ অনিল কুমাৰ বড়ো, শিক্ষাবিদ গীতা উপাধ্যায়, শিল্পী ৰেৱকান্ত মহন্ত। চলিত বৰ্ষৰ পদ্ম বিভূষণ বঁটাৰে সন্মানিত হোৱাসকলৰ ভিতৰত আছে তেলেংগানাৰ দুভুৰ নাগেশ্বৰ ৰেড্ডী, চণ্ডীগড়ৰ জগদীশ সিং খেহৰ, গুজৰাটৰ কুমুদিনি ৰজনীকান্ত লাখিয়া, কৰ্ণাটকৰ লক্ষ্মীনাৰায়ণ সুব্ৰমণিয়ম, মৰণোত্তৰভাৱে কেৰালাৰ এম টি বাসুদেৱন নায়াৰ, মৰণোত্তৰভাৱে জাপানৰ উছামু ছুজুকি আৰু মৰণোত্তৰভাৱে বিহাৰৰ সাৰদা সিন্‌হা। পদ্মভূষণ বঁটাৰে সন্মানিত হোৱা অসমৰ নৃত্যাচাৰ্য যতীন গোস্বামীয়ে ইতিমধ্যে তেওঁৰ নৃত্যকলাৰ বাবে বহু বঁটা আৰু সন্মানেৰে বিভূষিত হৈছে। শাস্ত্ৰীয় নৃত্যসমূহৰ ভিতৰত অন্যতম সত্ৰীয়া নৃত্যৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে যতীন গোস্বামী বিশেষভাৱে প্ৰখ্যাত। সত্ৰীয়া একাডেমীৰ প্ৰতিষ্ঠাপক সঞ্চালক আৰু বৰ্তমান উপদেষ্টা মণ্ডলীৰ সদস্য তেওঁ। যতীন গোস্বামী সংগীত নাটক একাডেমীৰ সাধাৰণ পৰিষদৰ প্ৰাক্তন সদস্যও আছিল। সত্ৰীয়া নৃত্যলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতিস্বৰূপে ২০০৪ চনত সংগীত নাটক একাডেমী বঁটা, ২০০৮ চনত পদ্মশ্ৰী সন্মান, ২০১৯ চনত সংগীত নাটক একাডেমীয়ে সৰ্বোচ্চ সন্মান সংগীত নাটক একাডেমী ফেল'শ্বিপ প্ৰদান কৰে। গোলাঘাট জিলাৰ দেৰগাঁও দাধৰা আধাৰ সত্ৰত জন্মগ্ৰহণ কৰা যতীন গোস্বামীয়ে এতিয়ালৈ পাঁচখন গ্ৰন্থ ৰচনা কৰিছে। এই গ্ৰন্থসমূহ হ'ল-

( নপৃষ্ঠাত চাওক)

## মুম্বাই আক্ৰমণৰ মাষ্টাৰ মাইণ্ড তাহাউৰ ৰাণাক ভাৰতক গতাই দিব আমেৰিকাই

ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতলৈ অনা হ'ব ২৬/১১ৰ মুম্বাই আক্ৰমণৰ মাষ্টাৰ মাইণ্ড তাহাবুৰ ৰাণাক। আমেৰিকাৰ উচ্চতম ন্যায়ালয়ে অভিযুক্ত তাহাউৰ ৰানাক ভাৰতলৈ প্ৰত্যৰ্পণত অনুমোদন জনাইছে। ৰাণাৰ হৈ দাখিল কৰা পুনৰীক্ষণ আৱেদন খাৰিজ কৰি এই ৰায় প্ৰদান কৰিছে। ২০০৮ চনত মুম্বাইত সন্ত্ৰাসবাদী আক্ৰমণত তাহাউৰ ৰানাও এজন ষড়যন্ত্ৰকাৰী হিচাপে চিহ্নিত হৈছে। ভাৰতীয় চোৰাংচোৱাই ইতিমধ্যে ৰানাক মুম্বাইৰ নৰমেধৰ অন্যতম ষড়যন্ত্ৰকাৰী বুলি অভিহিত কৰিছে। ইয়াৰ পিছৰে পৰা পাকিস্তানী বংশোদ্ভৱ কানাডাৰ ব্যৱসায়ী তাহাউৰ ৰানাক ভাৰতলৈ অনাৰ চেষ্টা চলাই আহিছে দেশৰ নিৰাপত্তা সংস্থাসমূহে। দীৰ্ঘ কেইবা বছৰ ধৰি ৰানাক ভাৰতলৈ অনাৰ বাবে চেষ্টা চলাই আহিছে চোৰাংচোৱা তথা নিৰাপত্তা সংস্থাসমূহৰ উপৰি দেশৰ চৰকাৰে। এইক্ষেত্ৰত




আমেৰিকায়ো ৰানাক ভাৰতৰ হাতত প্ৰত্যৰ্পণৰ বাবে সেউজ সংকেত দি আহিছে। প্ৰথমতে আইনী প্ৰক্ৰিয়াৰ বাবে ৰানাক ভাৰতলৈ প্ৰত্যৰ্পণৰ ক্ষেত্ৰত বিলম্ব ঘটিছিল। প্ৰথমতে নিম্ন আদালত, তাৰ পিছত ৱাশিংটনৰ প্ৰাদেশিক আদালতত প্ৰত্যৰ্পণৰ বিৰুদ্ধে আবেদন জনায় ৰানাই। কিন্তু এই আদালতসমূহে সকাহ দিয়া নাই তাহাউৰ ৰানাক। ছান ফ্ৰান্সিছকোৰ আপীল আদালততো প্ৰত্যৰ্পণৰ পক্ষেই বিচাৰপতিয়ে ৰায়দান কৰিছিল। এইবাৰ আমেৰিকাৰ শীৰ্ষ আদালতেও ৰানাক ভাৰতৰ হাতত প্ৰত্যৰ্পণৰ বাবে অনুমতি দিছে। এয়া ভাৰতৰ বাবে বৃহৎ কূটনৈতিক জয় হিচাপে চিহ্নিত হৈছে। মুম্বাই আক্ৰমণৰ অন্যতম অভিযুক্ত ডেভিদ কোলমান হেডলীৰ সংগী ৰানাক জিম্মাত পোৱাৰ বাবে প্ৰায় ডেৰ দশক পূৰ্বে ৱাশিংটনৰ ওচৰত প্ৰতিবেদন জনাইছিল নতুন দিল্লীয়ে। কিন্তু তাত কোনোধৰণৰ ইতিবাচক সঁহাৰি পোৱা নাছিল ভাৰতে। বৰঞ্চ পৰৱৰ্তী সময়ত জামিনত মুক্তিলাভ কৰে ৰানাই। লক্ষণীয়ভাৱে ২০০৮ চনৰ ২৬

( নপৃষ্ঠাত চাওক)

## অসম আৰক্ষীৰ উপ-মহাপৰিদৰ্শক ইন্দ্ৰাণী বৰুৱালৈ ৰাষ্ট্ৰপতিৰ বিশিষ্ট সেৱা পদক



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰত্যেক বছৰৰ দৰে এইবাৰো গণৰাজ্য দিৱসৰ প্ৰাককণত দেশৰ ৰাষ্ট্ৰপতিয়ে আৰক্ষী, অগ্নি নিৰ্বাপক বাহিনী, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা, সংশোধনমূলক সেৱা সমূহৰ বাবে ঘোষণা কৰিছে আৰক্ষীৰ বিভিন্ন পদক। অসমৰ ২৫গৰাকী আৰক্ষী বিষয়া-জোৱানে বিশেষ সেৱা আগবঢ়োৱাৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ পৰা পদক লাভ কৰি স্বীকৃতি লাভ কৰিছে। ইয়াৰ মাজত আছে অগ্নিনিৰ্বাপক জোৱান আৰু গৃহৰক্ষীও। বিশিষ্ট সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰপদক লাভ কৰিবলৈ সক্ষম হৈছে অসম আৰক্ষীৰ উপ-মহাপৰিদৰ্শক ইন্দ্ৰাণী বৰুৱাই। আনহাতে উৎকৃষ্ট সেৱাৰ বাবে পদক লাভ কৰিছে ৰাজ্যৰ মুঠ ২৪ গৰাকী বিষয়া-জোৱানে। ইয়াৰ ভিতৰত আৰক্ষী সেৱাত পদক লাভ কৰা ১৪ গৰাকী ব্যক্তি হৈছে মহাপৰিদৰ্শক ৰফিউল আলম লস্কৰ, প্লাটুন কমাণ্ডাৰ প্ৰশান্ত হাতীবৰুৱা, উপ-আৰক্ষী অধীক্ষক উপেন কলিতা, উপ-পৰিদৰ্শক খগেন্দ্ৰ ৰয়, চিত্ৰমোহন ৰাভা, বিবেকানন্দ শৰ্মা, সহকাৰী উপ-পৰিদৰ্শক হেমেন ভূঞা, বিষ্ণু প্ৰসাদ ছেত্ৰী, পৰিদৰ্শক

( নপৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান...

# গণৰাজ্য দিৱস বনাম আত্ম বিশ্লেষণ




আজি সমগ্ৰ দেশৰ লগতে ৭৬ সংখ্যক গণতন্ত্ৰ দিৱস অতি উলহ মালহেৰে আমিও পালন কৰিছো। ১৯৫০ চনৰ আজিৰ এই বিশেষ দিনটোতে ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ সলনি ভাৰতৰ সংবিধান খন গৃহীত হৈছিলে আৰু দেশখন পৰিচালনা কৰাৰ মূল নথি ৰূপে পৰিগণিত হৈছিল।

দেশৰ ৰাজধানী দিল্লীত গণতন্ত্ৰ দিৱস উপলক্ষে লালকিল্লাত পতাকা উত্তোলন কৰাৰ লগতে সমগ্ৰ দেশতে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়।

উল্লেখযোগ্য যে ২৬ জানুৱাৰী দিনটো গণতন্ত্ৰ দিৱস হিচাপে পালন কৰাৰ অন্যতম কাৰন হ'ল ভাৰতীয় জাতীয় কংগ্ৰেছে ১৯৩০ চনৰ ২৬ জানুৱাৰী দিনটোতে ভাৰতক সম্পূৰ্ণ স্বাধীন বুলি ঘোষণা কৰিছিলে।

আজি ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ পেৰেডত দেশৰ শৌৰ্য্য -পৰাক্ৰম প্ৰদৰ্শনৰ বাবে (সাজু দিল্লীৰ কৰ্তব্য পথ), ৫০০০শিল্পী, ১০০০ অতিথি আৰু ৩১টা টেবলেৰে সাজু দিল্লীৰ কৰ্তব্য পথ য'ত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ভাৰতৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মূৰ্মু আৰু ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰাবৱ ছুবিয়াণ্টো।

আজিৰ এই দিনটোত দেশৰ এজন প্ৰকৃত নাগৰিক হিচাপে আমাৰ প্ৰত্যেকৰে আত্মবিশ্লেষণৰ বিশেষ প্ৰয়োজন, নহয়নে বাৰু? হাতত ত্ৰিৰঙ্গা লৈ, মুখত ৰাষ্ট্ৰীয় গানেৰে ফটো, ভিডিঅ' আপলোড কাৰিলেই দেশপ্ৰেমীক কেতিয়াও হ'ব নোৱাৰে, যদিহে দেশৰ এজন প্ৰকৃত নাগৰিক হিচাপে দেশখনৰ প্ৰতি আমাৰ কোনো অৱদান নাই। এজন নাগৰিকৰ তেওঁৰ দেশখনৰ প্ৰতি থকা অৱদান বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে। যেনে, মানুহ জনৰ মাত কথা, আচাৰ ব্যৱহাৰে সকলোকে মুগ্ধ কৰা, এজন সৰ্বাঙ্গীন সুন্দৰ অনুকৰণীয় ব্যক্তি বিশেষ। প্ৰয়োজন সাপেক্ষে যি কোনো শ্ৰেণীৰ লোকক সামৰ্থ্য অনুযায়ী নিস্বাৰ্থভাৱে সহায়ৰ হাত আগবঢ়াব পৰাজনো এজন প্ৰকৃত নাগৰিকৰ পৰিচয়। একোজন ব্যক্তিৰ কলমেৰে নিৰ্গত প্ৰতিতো ( নপৃষ্ঠাত চাওক)

# পলাশবাৰী সমষ্টিৰ দখলাত আয়োজন কৰা হৈছে দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতা



ৰঙিলী বাৰ্ত্তাসেৱা- পলাশবাৰী সমষ্টিৰ অন্তৰ্গত দখলাত অহা ৮ আৰু ৯ ফেব্ৰুৱাৰীত দুদিনীয়াকৈ আয়োজন কৰা হৈছে দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতা। দখলা কমাৰ্চ কলেজ খেল পথাৰত অনুষ্ঠিত কৰা হ'ব উক্ত প্ৰতিযোগিতা খনি। প্ৰতিযোগিতাখনিত প্ৰথম পুৰস্কাৰ হিচাপে থকিব পঞ্চাশ হাজাৰ টকা লগতে ট্ৰফী, দ্বিতীয় পুৰস্কাৰ হিচাপে থাকিব ত্ৰিশ হাজাৰ টকাৰ লগতে ট্ৰফী থাকিব বুলি উদ্যোগক্তা সমিতিৰ সভাপতি অপূৰ্ব দেৱ শৰ্মা, সম্পাদক যুৱৰাজ শৰ্মা, জোন গোস্বামী!, জিতুমনি ঠাকুৰীয়া, নয়নমনি শৰ্মাই জানিব দিয়ে। প্ৰতিযোগিতা খনিত ভৰ্তিমাচুল হিচাপে দুহেজাৰ টকা ধাৰ্য কৰা হৈছে। প্ৰতিযোগিতা খনিত অংশ গ্ৰহণ কৰিব খোজা দল সমুহে দলীয় পোছাক, জোতা পৰিধান কৰাৰ লগতে দলত ৮ জনকৈ খেলুৱৈ থকাৰ নিয়মাৱলী বান্ধি দিছে। উক্ত ক্ৰিকেট প্ৰতিযোগিতাখনিত অসমৰ ভিন্ন প্ৰান্তৰ পৰা অংশ গ্ৰহণ কৰিব খোজা দলসমূহে যোগাযোগ কৰিব পাৰে। যোগাযোগ- ৮০১১৮-৪৫৫৪০, ৯৯৫৭৪-৭৩৭০৫, ৭৮৯৬৩- ৫০৬৪৪

# অষ্টম বাৰ্ষিক দৰাবিল মহোৎসৱৰ স্মৰণিকা উন্মোচন সাংবাদিক বিমল শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- “কেইবাশ বিঘা মাটিৰে আবৰি থকা প্ৰসিদ্ধ জলাশয় তথা আৰ্দ্ৰভূমি দৰাবিলৰ সংৰক্ষণ মানৱ সভ্যতাৰ ভৱিষ্যতৰ বাবে নিতান্তই জৰুৰী। কিয়নো মানুহৰ জীৱন-ধাৰণৰ অত্যন্ত দৰকাৰী বিশুদ্ধ অ'ক্সিজেন প্ৰধানতঃ আৰ্দ্ৰভূমি সমূহতেই উৎপত্তি হয়”অষ্টম বাৰ্ষিক দৰাবিল মহোৎসৱৰ যোৱা দ্বিতীয় দিনাৰ অন্যতম কাৰ্যসূচী স্মৰণিকা “দৰাবিল” উন্মোচন কৰি সাংবাদিক বিমল শৰ্মাই এই মন্তব্য কৰে। ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক পংকজ লোচন দাসে সম্পাদনা কৰা স্মৰণিকা “দৰাবিল” উন্মোচন কৰি সাংবাদিক শৰ্মাই দেশী-বিদেশী অনেক পক্ষীৰ বিচৰণভূমি তথা অনেক জৈৱ-বৈচিত্ৰৰ আবাসভূমি দৰাবিলক উপযুক্ত পৰ্যবেক্ষণৰ জৰিয়তে সংৰক্ষণৰ স্থায়ী ব্যৱস্থা কৰিবলৈ চৰকাৰ আগবাঢ়ি অহা উচিত বুলি মন্তব্য কৰে। দৰাবিল মহোৎসৱৰ উদযাপন সমিতিৰ জন্মলগ্নৰেপৰা জড়িত আগশাৰীৰ কৰ্মকৰ্তা উমেশ কলিতাই আঁতধৰা উন্মোচনী সভাখনত স্মৰণিকাৰ সম্পাদক তথা অধ্যাপক পংকজ লোচন দাসে মানৱ জীৱনৰ ( নপৃষ্ঠাত চাওক)

# গুৱাহাটী বিশ্ববিদ্যালয় আৰু NIELITৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ অনুষ্ঠানত মন্ত্ৰী পীযুষ হাজৰীকা



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ জলসম্পদ, তথ্য আৰু জনসংযোগ ইত্যাদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত উপস্থিত হৈ বিশ্ববিদ্যালয়খন আৰু নেচনেল ইনষ্টিটিউট অব ইলেকট্ৰনি' এণ্ড ইনফৰমেচন টেকন'লজী (NIELIT)ৰ মাজত হোৱা বুজাবুজিৰ চুক্তি স্বাক্ষৰ অনুষ্ঠানত উপস্থিত থকাৰ লগতে বিশ্ববিদ্যালয় চৌহদত কৃত্ৰিম বানপানী নিয়ন্ত্ৰণৰ বাবে প্ৰয়োজন হোৱা ব্যৱস্থাসমূহৰ বুজ লয়। মন্ত্ৰী গৰাকীয়ে প্ৰথমতে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক ননীগোপাল মহন্তৰ কাৰ্যালয়ৰ সভাকক্ষত বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক আৰু নেচনেল ইনষ্টিটিউট অব ইলেকট্ৰনিক্স এণ্ড ইনফৰমেচন টেকন'লজীৰ সঞ্চালকৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱা অনুষ্ঠানত উপস্থিত থাকে। উল্লেখ্য যে নেচনেল ইনষ্টিটিউট অব ইলেকট্ৰনিক্স এণ্ড ইনফৰমেচন টেকন'লজী (NIELIT) ৰ এটা চৌহদ ইতিমধ্যে জাগীৰোদত স্থাপন হোৱাৰ বাবে ৰাজ্য চৰকাৰৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈ গৈছে। আনহাতে স্বাক্ষৰিত হোৱা চুক্তি অনুসৰি NIELIT য়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক আধুনিক প্ৰযুক্তিবিদ্যাৰ বিভিন্ন পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণৰ সুযোগ প্ৰদান কৰিব। উক্ত অনুষ্ঠানত উপস্থিত থাকি অত্যন্ত সুখী হোৱা বুলি মন্তব্য কৰি মন্ত্ৰী পীযুষ হাজৰীকাই কয় যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত আৰু NIELITৰ জাগীৰোডত হ'ব লগা চৌহদত অনুষ্ঠানটোৰ পৰা শিক্ষা গ্ৰহণ কৰাৰ পাছতে শিক্ষাৰ্থীসকলে জাগীৰোডত নিৰ্মাণ হৈ থকা টাটাৰ চেমিকণ্ডাক্টৰৰ দৰে প্ৰকল্পত নিযুক্তি লাভ কৰিবলৈ সক্ষম হ'ব। প্ৰযুক্তি আৰু কাৰীকৰি শিক্ষাৰ ক্ৰমবৰ্দ্ধমান গুৰুত্বৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰী হাজৰীকাই এই অনুষ্ঠানত উপস্থিত থকা বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলক উত্তৰ প্ৰজন্মৰ শিক্ষাৰ্থীসকলক কাৰীকৰি শিক্ষাৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ আহ্বান জনায়। ( নপৃষ্ঠাত চাওক)

# জাপানৰ শীৰ্ষ চৰকাৰী বিষয়াসকলক সাক্ষা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জাপান ভ্ৰমণ অসমৰ বিনিয়োগ ব্যৱস্থা আৰু সম্ভাৱনাৰ দিশত বিশেষ ভ্ৰমণ হিচাপে বিবেচিত হ'ব। প্ৰথম দিনাৰ বহুকেইখন বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জাপানৰ প্ৰতিনিধি সদনৰ অধ্যক্ষ ফুকুছিৰো নুকাগাৰ সৈতে মিলিত হৈ অসমৰ দৃষ্টিকোণেৰে ভাৰত আৰু জাপানৰ মাজত শক্তিশালী সাংস্কৃতিক আৰু অৰ্থনৈতিক সম্পৰ্কৰ দিশত দুয়ো বাৰ্তালাপ কৰে। ৰাজ্যৰ দক্ষ কৰ্মশক্তিৰ বাবে জাপানত কামৰ সুযোগ অন্বেষণত অসমে পালন কৰিব পৰা ভূমিকাৰ বিষয়কো এই আলোচনাত সামৰি লোৱা হয়। জাপান ভ্ৰমণৰ দ্বিতীয়টো দিনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাৰতীয় দূতাবাসত মহান স্বাধীনতা সংগ্ৰামী নেতাজী সুভাষ চন্দ্ৰ বসুক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি দিনটো আৰম্ভ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে জাপানতে নেতাজীয়ে আজাদ হিন্দ ফৌজৰ বীজ ৰোপণ কৰিছিল, যাৰ উদ্দেশ্য আছিল দমনকাৰী ব্ৰিটিছ শাসনৰ বিৰুদ্ধে সংগ্ৰাম কৰা। তেখেতৰ দেশ সেৱাৰ সাহস আৰু সংকল্প অতুলনীয়। নেতাজীৰ বীৰত্ব চিৰদিন ভাৰতবাসীৰ দ্বাৰা উদ্যাপিত হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জাপানৰ ন্যায় বিভাগৰ ৰাজ্যিক মন্ত্ৰী কোমুৰা মাছাহিৰো আৰু জাপানৰ ভূমি, আন্তঃগাঁথনি, পৰিবহণ আৰু পৰ্যটন বিভাগৰ ৰাজ্যিক মন্ত্ৰী ফুৰুকাৱা য়াছুচিৰক পৃথকে পৃথকে সাক্ষাৎ কৰি বৈঠকত মিলিত হয়। ন্যায়মন্ত্ৰীৰে হোৱা বৈঠকত জাপানী কোম্পানীসমূহৰ বাবে উৎসৰ্গিত এখন ঔদ্যোগিক উদ্যান স্থাপনৰ ক্ষেত্ৰত অসম চৰকাৰৰ উদ্দেশ্য আৰু অসমৰ পৰা অহা প্ৰতিভাৱান যুৱক-যুৱতীসকলে জাপানত দক্ষ শ্ৰমিকৰ চাহিদা দূৰ কৰাত কেনেদৰে সহায় কৰিব পাৰে, সেই বিষয়তো আলোকপাত কৰা হয়। আনহাতে ভূমি, আন্তঃগাঁথনি, পৰিবহণ আৰু পৰ্যটন মন্ত্ৰীৰে হোৱা বৈঠকখনত জাপান আৰু অসমত পৰ্যটনৰ সম্ভাৱনা আৰু প্ৰচাৰৰ কথা আলোচনা কৰাৰ লগতে ইউনেস্ক'ৰ বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামৰ অন্তৰ্ভুক্তিকে ধৰি পৰ্যটনকেন্দ্ৰিক বিভিন্ন বিষয় আলোচনা কৰা হয়। গ'ল্ফ খেলপথাৰৰ পৰা আৰম্ভ কৰি চাহ বাগিচা তথা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈকে আমাৰ ৰাজ্যত জাপানী পৰ্যটকৰ বাবে থকা সুবিধাৰ বিষয়ে

( নপৃষ্ঠাত চাওক)

# পত্নীক হত্যা কৰি কুকাৰত সিজালে স্বামীয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- তেলেংগানাৰ ৰংগাৰেড্ডী জিলাৰ মীৰপেটত সংঘটিত হৈছে এক ভয়ংকৰ ঘটনা। এজন প্ৰাক্তন সেনা জোৱানে তেওঁৰ পত্নীক হত্যা কৰে। কেৱল ইমানে নহয় পত্নীক হত্যা কৰাৰ লগতে মৃহদেহ টুকুৰা টুকুৰ কৰি প্ৰেছাৰ কুকাৰত শৰীৰৰ অংশবোৰ সিজায়। তাৰ পিছত অৱশিষ্টখিনি পেলাই দিলে সমীপৰ পুখুৰীত। ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে অভিযুক্ত প্ৰাক্তন সেনা জোৱানজনক। আৰক্ষীৰ পৰা পোৱা তথ্য অনুসৰি, অভিযুক্তজনৰ নাম গুৰু মূৰ্তি। উল্লেখ্য যে যোৱা ১৬ জানুৱাৰীৰ পৰা প্ৰাক্তন সেনা জোৱানজনৰ পত্নী মাধৱী সন্ধানহীন হৈ আছিল। ১৮ জানুৱাৰী পৰ্যন্ত এই সন্ধানহীনৰ তথ্য প্ৰাক্তন সেনা জোৱানজনে আৰক্ষীক অৱগত কৰা নাছিল। অৱশেষত মাধৱীৰ পিতৃ-মাতৃয়ে এই সন্ধানহীনৰ ৰহস্যৰ উমান পাই আৰক্ষীক অৱগত কৰে। তথ্য মতে, প্ৰতিদিনেই স্বামীৰ অত্যাচাৰত থাকিব নোৱাৰি মাধৱী ওচৰৰ মহিলাৰ ওচৰলৈ যায় বুলি প্ৰাক্তন সেনা জোৱানজনে প্ৰকাশ কৰে যদিও আৰক্ষীয়ে সন্দেহ কৰি তালাচী অভিযান চলায়। আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰি প্ৰাক্তন সেনা জোৱানজনক আটক কৰি সোধা-পোছা কৰে আৰু পাছত হত্যা কৰা বুলি স্বীকাৰ কৰে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, প্ৰাক্তন সেনা জোৱানজনে পত্নীক হত্যা কৰি বাথৰুমলৈ লৈ যায় আৰু তাতেই মৃতদেহ কাটি টুকুৰা-টুকুৰ কৰে।

( দহ পৃষ্ঠাত চাওক)

# গুৱাহাটী প্ৰেছ ক্লাবত মৰমলেগু পাব্লিকেচনৰ ৩ খনকৈ কিতাপ উন্মোচন




ৰঙিলী বাৰ্ত্তাসেৱা- মৰমলেগু পাব্লিকেচনৰ দ্বাৰা প্ৰকাশ কৰা কবি-লেখিকা দীপিকা দেৱী কলিতাৰ ৩ খনকৈ গ্ৰন্থ গুৱাহাটী প্ৰেছ ক্লাবত উন্মোচন কৰা হয়। বিশিষ্ট লেখক ড° দয়ানন্দ পাঠক, লেখক -শংকৰদেৱ ৰমেন দাস, বিশিষ্ট লেখিকা অলকানন্দা দত্ত, বন্দিতা ফুকন, বিশিষ্ট লেখক তথা আমাৰ অসম কাকতৰ সহকাৰী সম্পাদক মণ্টু শইকীয়া, লেখিকা ড° নঞ্জু দত্ত আৰু কামৰূপ জিলা সাহিত্য সভাৰ সভানেত্ৰী সবিতা দেৱীয়ে উন্মোচন কৰে কাব্য সংকলন অৰণ্যত ৰ'দ বিচাৰি, অনুগল্প সংকলন 'বৈভৱ' আৰু প্ৰৱন্ধ সংকলন 'প্ৰৱন্ধ গুচ্ছ'।

# মৰিয়নিত নগা দুৰ্বৃত্তৰ তাণ্ডৱঃ'আপ'ৰ প্ৰতিক্ৰিয়া

ৰঙিলী বাৰ্ত্তাসেৱা- অসম-নাগালেণ্ডৰ মাজত বৰ্তি থকা আন্তঃৰাজ্যিক সীমা বিবাদ নিষ্পত্তি কৰাৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ ব্যৰ্থতাৰ বিৰুদ্ধে পুনৰ সৰৱ হৈছে আম আদমী পাৰ্টি। বৃহস্পতিবাৰে আপৰ ৰাজ্যিক সাধাৰণ সম্পাদক শচসাংগঠিনকণ্ন ৰাজীৱ শইকীয়াই আন্তঃৰাজ্যিক সীমান্তৱৰ্তী অঞ্চলৰ মৰিয়নিৰ ৰজাবাৰীত উদ্ভৱ হোৱা পৰিস্থিতিক লৈ উদ্বেগ ব্যক্ত কৰে। এই সন্দৰ্ভত দলৰ জ্যেষ্ঠ নেতাগৰাকীয়ে এক প্ৰেছ বিজ্ঞপ্তিত কয়, “কেন্দ্ৰ আৰু ৰাজ্যত শাসনাধিষ্ঠিত বিজেপি দলে ২০১৬ আৰু ২০২১ চনৰ অসম বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে অসমৰ সৈতে প্ৰতিবেশী ৰাজ্য সমূহৰ সীমা সমস্যা নিষ্পত্তি কৰণৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু দুবাৰকৈ চৰকাৰ গঠন কৰা বিজেপি দলে সীমা বিবাদ নিষ্পত্তি নকৰি বিশ্বাস ভংগ কৰিছে। লক্ষ্যণীয় বিষয় যে কেন্দ্ৰীয় চৰকাৰৰ উপৰি অসম আৰু নাগালেণ্ডতো বিজেপি দলৰ নেতৃত্বতে চৰকাৰ চলি আছে। তৎসত্বেও চৰকাৰে আলোচনা বা গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে এই সমস্যাৰ সমাধান কৰিব পৰা নাই। ফলত অসম নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চলত সময়ে সময়ে হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি হৈছে। মাজে মাজে নাগালেণ্ডৰ লোকে অসমীয়া লোকৰ ওপৰত

( দহ পৃষ্ঠাত চাওক)

# এডভান্টেজ আছাম ২.০ৰ বাবে হায়দৰাবাদত মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ৰোড শ্ব'



ৰঙিলী বাৰ্ত্তাসেৱা- এডভান্টেজ আছাম ২.০বিনিয়োগকাৰীক আকৰ্ষিত কৰাৰ বাবে হায়দৰাবাদত এক ৰোড শ্ব'ত অংশগ্ৰহণ কৰে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অসমৰ অৰ্থনৈতিক পৰিৱৰ্তন আৰু ইয়াত বিনিয়োগকাৰী অনুকূল নীতিৰ ওপৰত আলোকপাত কৰি বিভিন্ন খণ্ডৰ পৰা বিনিয়োগৰ বাবে আমন্ত্ৰণ জনায়। ৰোড শ্ব'ত মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয় যে ইতিমধ্যে অসমৰ সম্ভাৱনাৰ প্ৰতি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰা যথেষ্ট আগ্ৰহ দেখিবলৈ পাইছোঁ। হায়দৰাবাদৰ ৰোড শ্ব'ই এই গতি অব্যাহত ৰাখিব, যিয়ে অসমৰ যাত্ৰাক শীৰ্ষ বিনিয়োগৰ গন্তব্য স্থান হিচাপে গঢ় দিয়াত সহায় কৰিব। যোগাযোগ,

( দহ পৃষ্ঠাত চাওক)

# বংশৰত ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা মহোৎসৱৰ প্ৰথম বাৰ্ষিকী পালন



ৰঙিলী বাৰ্তাসেৱা- কামৰূপ জিলাৰ বংশৰত বংশৰ টেম্পু সন্থাৰ উদ্যোগত আৰু বংশৰবাসী ৰাইজৰ সহযোগত যোৱা ২২ জানুৱাৰী তাৰিখে দিনযোৱা কাৰ্যসূচীৰে ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা মহোৎসৱ প্ৰথম বাৰ্ষিকী বংশৰ তিনিআলি চকত পালন কৰা হয়। পুৱা ন বজাত প্ৰভু শ্ৰীৰামৰ প্ৰতিমূৰ্তি স্থাপন কৰা হয়। দহ বজাত মূখ্য বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সমাজকৰ্মী বগাৰাম বৈশ্যই। উপস্থিত থাকে, বিশিষ্ট সমাজকৰ্মী প্ৰফুল্ল বৈশ্য, অৱসৰপ্ৰাপ্ত শিক্ষক কনক দাস, সমাজকৰ্মী দেবেন্দ্ৰনাথ কাকতি, গজনন চৌহান (RSS), ক্ষিৰোদ বৈশ্যৰ লগতে বিশিষ্ট ব্যক্তি সকল। সন্ধিয়া ৫ঃ৩০ বজাত ৰাজহুৱা বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সমাজকৰ্মী দ্বিজেন গোস্বামীয়ে। উক্ত অনুষ্ঠানটোৰ আত ধৰে শিক্ষক তথা বিশিষ্ট সমাজকৰ্মী ইন্দ্ৰকান্ত বৈশ্যেই। বংশৰ টেম্পু সন্থাৰ সভাপতি নৃপেন দাস আৰু সম্পাদক দিলিপ কুমাৰ বৈশ্যাই জানিবলৈ দিয়ে।

# ডিব্ৰুগড়ত গণৰাজ্য দিৱসৰ প্ৰাকমুহূৰ্তত পৌৰনিগম আৰু যানবাহন আৰক্ষীৰ বৃহত অভিযান



ৰঙিলী বাৰ্তাসেৱা- প্ৰথমবাৰলৈ ডিব্ৰুগড়ত গণৰাজ্য দিৱসত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পতাকা উত্তোলন কৰিব। এই উদ্দেশ্যে ডিব্ৰুগড় মহানগৰখনৰ ঠায়ে ঠায়ে এতিয়া অবৈধ ভাৱে পদপথ দখল কৰা ব্যৱসায়ী আৰু পথৰ ওপৰতে দীৰ্ঘদিন ধৰি ৰখাই থোৱা বাছ-ট্ৰাক আৰু অবৈধ যানবাহন ৰাখি থৈ ৰাইজক হাৰাশাস্তি কৰা সকলক যুটীয়া ভাৱে অভিযান চলায় পৌৰনিগম আৰু যানবাহন আৰক্ষীয়ে। উল্লেখযোগ্য যে জাননী জাৰি কৰি অৱগত কৰা পাছতো ব্যৱসায়ী আৰু বাছ ট্ৰাকৰ গৰাকী সকলে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত এই পদক্ষেপ গ্ৰহণ কৰিছে ডিব্ৰুগড় পৌৰনিগমে। অভিযানত পৌৰনিগম আৰু যানবাহন আৰক্ষীৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে। যোৱা ১৯ জানুৱাৰীৰ পৰা ২৬ (দহ পৃষ্ঠাত চাওক)

# মাজবাট ধৰ্ষণকাণ্ডৰ ৫ অভিযুক্তক যাৱজ্জীৱন কাৰাদণ্ড



ৰঙিলী বাৰ্তাসেৱা- ৰাজ্য কঁপাই যোৱা মাজবাট ধৰ্ষণ কাণ্ডৰ ৰায়দান। এগৰাকী কিশোৰীক দলবদ্ধ ধৰ্ষণ কৰা পাঁচ অভিযুক্তক দোষী সাব্যস্ত কৰাৰ লগতে যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছে ওদালগুৰি জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতে। এই ঘটনা সংঘটিত হোৱাৰ পাছত বিগত ছমাহ ধৰি চলা বিচাৰ প্ৰক্ৰিয়াৰ অন্তত আদালতে পাঁচ পাষণ্ড ক্ৰমে অভিজুল আলী, মুস্তাক আহমেদ, মুহিদুল ইছলাম, এহছান আহমেদ আৰু ছাদ্দাম হুছেইনক যাৱজ্জীৱন কাৰাদণ্ড বিহে। উল্লেখ্য যে যোৱা ২২ জুনত মাজবাটত সংঘটিত হৈছিল এই ঘটনা। মাজবাট প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত লামাবাৰী ৰামানুজন ইংলিছ স্কুলৰ নৱম শ্ৰেণীৰ এগৰাকী ছাত্ৰী ২২ জুনৰ বিয়লি মাজবাটৰ লাচিত নগৰৰ বিজ্ঞান শিক্ষক ভবেন বড়োৰ ওচৰলৈ টিউচনৰ বাবে গৈছিল। কিন্তু শিক্ষকগৰাকী অসুস্থ হৈ থকাৰ বাবে টিউচন নকৰাকৈয়ে কিশোৰীগৰাকী উভতি আহে। সেই সময়ত কিশোৰীগৰাকীয়ে তেওঁৰ বন্ধু তথা মাজবাট ৰে'ল ষ্টেচনৰ বিষ্ণু নগৰৰ বাসিন্দা ৰাজ বাছফৰৰ বাইকেৰে ঘৰলৈ উভতি আহে। সেই সময়তে ১ নম্বৰ নাহৰবাৰী (ইটাভাতা)ৰ সমীপত অভিজুল আলী আৰু মুস্তাক আহমেদে তেওঁলোকক আগচি ধৰে আৰু বাইকৰ চাবি কাঢ়ি লৈ দুয়োকে চাহ বাগিচাৰ মাজলৈ (দহ পৃষ্ঠাত চাওক)

# লোকনিৰ্মাণ বিভাগৰ নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠান



ৰঙিলী বাৰ্তাসেৱা- দিশপুৰ লাষ্টগেটস্থিত লোকনিৰ্মাণ বিভাগৰ সন্মিলন আৰু প্ৰশিক্ষণ কেন্দ্ৰ, লোকনিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাই পথ)বিভাগ, লাষ্ট গেট (Convention and Training Centre, PW (B&NH)Deptt., Lastgate)ত ১৮ (দহ পৃষ্ঠাত চাওক)

# অসমৰ পৰা কোনো হাতী ৰাজ্যৰ বাহিৰলৈ পঠিওৱা হোৱা নাই-মুখ্যমন্ত্ৰীৰ কাৰ্যালয়

ৰঙিলী বাৰ্তাসেৱা- আম্বানীৰ গুজৰাটৰ জামনগৰৰ বনতাৰা চিৰিয়াখানালৈ অসমৰ মাজেৰে ২৩ খনকৈ এনিমেল এম্বুলেন্সত হাতী কঢ়িয়াই লৈ যোৱা ঘটনাক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই প্ৰতিক্ৰিয়াৰ মাজতে অসমৰ পৰা কোনো হাতী ৰাজ্যৰ বাহিৰলৈ পঠিওৱা হোৱা নাই বুলি মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে স্পষ্ট কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে একাংশ লোকে সামাজিক মাধ্যমত অসমৰ পৰা হাতী লৈ যোৱা বুলি কৰা মন্তব্য অযুক্তিকৰ আৰু মিছা বুলিও অভিহিত কৰিছে। সামাজিক মাধ্যমত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে কয়- ইয়াৰ দ্বাৰা স্পষ্ট কৰা হৈছে যে শেহতীয়াকৈ অসমৰ পৰা কোনো হাতী বাহিৰলৈ পঠিওৱা হোৱা নাই। অসমক এনে কাৰ্যকলাপৰ সৈতে যুক্ত কৰি প্ৰকাশিত কিছুমান বাতৰি আৰু সামাজিক মাধ্যমৰ পষ্ট সম্পূৰ্ণ অযুক্তিকৰ আৰু মিছা। উল্লেখ্য যে বিশেষ এনিমেল এম্বুলেঞ্চৰ সহায়ত অসমৰ মাজেৰে কুৰিটাতকৈও অধিক হাতী জামনগৰত থকা বনতৰালৈ লৈ যোৱা হৈছে। বিশেষকৈ অৰুণাচল প্ৰদেশৰ নামচাই জিলাৰ লাথাউ নামৰ অঞ্চলৰ পৰা এম্বুলেঞ্চৰ সহায়ত এই হাতীসমূহ কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে জামনগৰলৈ লৈ যোৱা হয়। অৰুণাচলৰ পৰা তেজপুৰ হৈ নগাঁৱেৰে আহি গুৱাহাটীৰ মাজেৰে হাতী কঢ়িয়াই লৈ যোৱা এনিমেল এম্বুলেঞ্চসমূহৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈ পৰাৰ পাছতে প্ৰকৃতিপ্ৰেমীৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। একাংশই অসমৰ পৰা এনেদৰে হাতী লৈ যোৱা কাৰ্য বন্ধ কৰিব লাগে বুলিও মন্তব্য কৰে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে স্পষ্ট কৰে যে অসমৰ পৰা কোনো হাতী বাহিৰলৈ পঠিওৱা হোৱা নাই।

# কলকাতা আৰ জি কৰ কাণ্ডৰ দোষী সঞ্জয় ৰায়ক যাৱজ্জীৱন কাৰাদণ্ড আদালতৰ



ৰঙিলী বাৰ্তাসেৱা- অৱশেষত সমগ্ৰ দেশ কঁপাই যোৱা কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত সংঘটিত ধৰ্ষণ- হত্যাকাণ্ডৰ গোচৰৰ চূড়ান্ত ৰায় প্ৰদান কৰিলে শিয়ালদহ আদালতে। দেশৰ সৰ্বোচ্চ অনুসন্ধানকাৰী সংস্থা চিবিআইৰ তদন্তৰ ভিত্তিত দিয়া এই ৰায়ত মহিলা চিকিৎসকক ধৰ্ষণৰ অন্তত হত্যা কৰা পাষণ্ড সঞ্জয় ৰায়ক যাৱজ্জীৱন কাৰাদণ্ড বিহা হৈছে। ভাৰতীয় ন্যায় সংহিতাৰ ৬৪ (ধৰ্ষণ), ৬৬ (ধৰ্ষণৰ কাৰণে মৃত্যু) আৰু ১০৩ (১) (হত্যাৰ অপৰাধ) নং ধাৰাৰ অধীনত ইতিপূৰ্বে দোষী সাব্যস্ত হোৱা সঞ্জয় ৰায়ক উদ্দেশ্যি ৰায়দানৰ সময়ত শিয়ালদহ আদালতৰ ন্যায়াধীশ অনিৰ্বাণ দাসৰ স্পষ্ট ভাষ্য- 'জীৱনৰ শেষ দিন পৰ্যন্ত কাৰাগাৰতে থাকিব লাগিব।' একেটা ৰায়তে জঘন্য ঘটনা সংঘটিত কৰা সঞ্জয় ৰায়ক ৫০ হাজাৰ টকা জৰিমনা বিহা হৈছে। এই জৰিমনা অনাদায়ে অপৰাধীজনে ৫ মাহৰ অতিৰিক্ত কাৰাবাস খাটিব লাগিব। তদুপৰি ৰায়টোত ভুক্তভোগীৰ পৰিয়ালক ১৭ লাখ টকাৰ ক্ষতিপূৰণ আদায় দিবলৈও চৰকাৰক কোৱা হৈছে। এই ১৭ লাখ টকাৰ ভিতৰত কৰ্মক্ষেত্ৰত ধৰ্ষণৰ কাৰণে ৭ লাখ আৰু হত্যাকাণ্ড সংঘটিত হোৱাৰ বাবে ১০ লাখ টকা। কিন্তু ভুক্তভোগীৰ পিতৃয়ে এই ক্ষতিপূৰণ ল'বলৈ আদালতৰ মজিয়াতে অস্বীকাৰ কৰে। কাৰ্যতঃ তেওঁ অসন্তুষ্ট হয় আদালতৰ ৰায়ত। (দহ পৃষ্ঠাত চাওক)

# অচলোৰ তেজ ৰঙা আকাশ



জ্যোতি খাটনিয়াৰ

এখন আমাৰ পৰা বহু দূৰৰ চহৰৰ বিয়লি। সূৰ্য্য আকাশত ঢলি পৰা সময়ত ডাৱৰবোৰ হঠাতে হৈ পৰিল তেজ ৰঙা। সময় আছিল উনবিংশ শতিকাৰ শেষৰ দশকটো। ঠাইখন আছিল নৰৱেৰ অচলো চহৰ। এজন মানুহে অনুভৱ কৰিলে যেন প্ৰকৃতিৰ মাজেৰে এক সীমাহীন চিৎকাৰ হঠাতে পাৰ হৈ গ'ল। মানুহজনে যেন এই চিৎকাৰ শুনিলে। তেওঁৰ লগত আছিল আৰু দুজন বন্ধু। উৎকণ্ঠাত মানুহজন কঁপিব ধৰিলে। কিন্তু তেওঁৰ বন্ধু দুজন আগুৱাই গ'ল। সমগ্ৰ সময়টো যেন মহাভাৰতৰ যুদ্ধত মহাযোদ্ধা কৰ্ণই অৰ্জুনৰ অঞ্জলিকা অস্ত্ৰত প্ৰাণ হেৰুৱাৰ সময়ত সূৰ্য্যই পৃথিৱীক বিদায় দিয়া আকাশৰ আৰু পৰিৱেশৰ এক পুনৰ নিৰ্মাণ। অচলো চহৰৰ বিয়লিৰ এই অনুভূতি মানুহজনে সমগ্ৰ মানৱ জাতিৰ হৈ অনুভৱ কৰা এক বিশেষ অনুভূতি। আধুনিক মানুহৰ জীৱন পৰিক্ৰমাৰ যন্ত্ৰণা জৰ্জৰ আৰু উৎকণ্ঠাকেন্দ্ৰিক পৰিস্থিতিৰ প্ৰতীক হৈ পৰা শিল্পী এডভাৰ্ড মুন্‌খে ইয়াক লৈ অংকন কৰিলে চিঞৰ (The Scream, ১৮৯৩) নামৰ এই ছবিখন। এই ছবিখনৰ আকাশ যেন মানুহৰ জীৱনৰ সামগ্ৰিক যাত্ৰাৰ এক বিৰাট ৰূপক। এই কঁপি থকা, উৎকণ্ঠিত মানুহজনা আপুনি - মই, তেওঁ - তুমি। আমি সকলোৱে কেতিয়াবা নহয় কেতিয়াবা অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হ'লে কৰা অনুভৱৰ এই ছবি নিখুঁত উপস্থাপন। এই ছবিখনৰ তেজ ৰঙা আকাশৰ সৈতে কেইবাটাও কথা সম্পৰ্কিত কৰিবলৈ চেষ্টা কৰা হৈছে। এটা হ'ল ইণ্ডোনেছিয়াত হোৱা ভয়ংকৰ অগ্নেয়গিৰিৰ বিস্ফোৰণ; য'ত ৩৬০০০ ৰো অধিক লোকে প্ৰাণ হেৰুৱাইছিল। ৪, ৮০০কিলোমিটাৰ নিলগতো ইয়াৰ কঁপনি অনুভৱ কৰা হৈছিল। অচলোৰ আকাশ এই অগ্নেয়গিৰিৰ উদ্গীৰণৰ ফলতেই হৈ পৰিছিল তেজ ৰঙা। আন এটা অনুমান অনুসৰি সেই সময়ত নৰৱেৰ আকাশত বিশেষ দ্যুতিময় ডাৱৰে ( nacreous clouds) সৃষ্টি কৰা প্ৰাকৃতিক পৰিঘটনাই চহৰখনৰ আকাশখন তেজ ৰঙা কৰি তুলিছিল। উল্লেখ যে, মুন্‌খৰ অতি চেনেহৰ ভগ্নী গৰাকী মানসিক চিকিৎসালয়ত সেই সময়ত ভৰ্তি হৈ থকা কথাটোৱেও এই ছবিখন অঁকাৰ সময়ত তেওঁক বিশেষভাৱে প্ৰভাৱিত কৰিছিল। চিঞৰ ছবিখনৰ চাৰিটা সংস্কৰণ মুন্‌খে তৈয়াৰ কৰিছিল। নৰৱেৰ এই শিল্পীজনাৰ হাতত মানুহৰ দুখ - যন্ত্ৰণা, হতাশা, বিভিন্ন ঘাত-প্ৰতিঘাতত বিধ্বস্ত হোৱা মানৱ আত্মাৰ খবৰ আছে। এই খবৰবোৰে পৃথিৱীৰ প্ৰায় সকলো সংবেদনশীল লোকক এবাৰ নহয় এবাৰ চুই গৈছে। এই স্পৰ্শ অতি গভীৰ। কেৱল ভেন গঘৰ ছবিৰ মৰ্মস্পৰ্শী স্পৰ্শৰ সৈতেহে এই স্পৰ্শৰ তুলনা হয়। ক'ব পাৰি যে এডভাৰ্ড মুন্‌খ, ভেন গঘ আৰু পল চেজানে মানুহৰ অন্তঃজগতৰ খবৰ আৰু সংসাৰৰ বিচিত্ৰ বিষয়ৰ সৈতে মানুহৰ সংঘাত আৰু সম্পৰ্কৰ সঠিক ছবিখন আমাক দি থৈ গ'ল। মুন্‌খে উনবিংশ শতিকাৰ শেষৰ ফালে অঁকা এই চিঞৰ ছবিখনৰ উৎকণ্ঠা (anxiety) আৰু মানৱীয় পৰিস্থিতি (human condition) আজিও গভীৰ আলোচনাৰ বিষয়। ফিয়ডৰ দস্তয়েভস্কিৰ সাহিত্যৰ জগতৰ বিচিত্ৰ চৰিত্ৰ আৰু পৰিৱেশ, জাঁ প'ল ছাৰ্ত্ৰৰ অস্তিত্ববাদী দৰ্শনৰ বিষয়ৰ সৈতে মুন্‌খৰ এই ছবিখনৰ তুলনামূলক অধ্যয়নো কৰিব পাৰি।

১৮৬৩ৰ ১২ ডিচেম্বৰত নৰৱেত জন্ম হোৱা মুন্‌খ ছাত্ৰ হিচাপে আছিল চোকা বুদ্ধিৰ। তেওঁ কাৰিকৰী শিক্ষানুষ্ঠানত পদাৰ্থ বিজ্ঞান, গণিত আৰু ৰসায়ন অধ্যয়ন কৰিছিল। অৱশ্যে এই অধ্যয়নে তেওঁক শীঘ্ৰেই আমুৱালে আৰু তেওঁ ছবি জগতত বেছিকৈ জড়িত হৈ পৰিল। দেউতাকে কিন্তু ছবি ভাল পোৱা আছিল। জীৱনৰ শেষ দিনটোলৈকে দেউতাকে মুন্‌খে ছবি অঁকাৰ বিৰোধিতা কৰি গ'ল। দেউতাক আছিল অতি ধাৰ্মিক আৰু গোড়ামীৰে ভৰা লোক। তেওঁ ভাবিছিল ছবি অঁকাটো পাপ, এক অপবিত্ৰ ব্যাপাৰ ( unholy trade)। হতাশা, নিঃসংগতা আৰু দৰিদ্ৰতাৰ মাজত থাকিও মুন্‌খ ছবিৰ প্ৰতি গভীৰভাৱে সমৰ্পিত হৈ ৰ'ল। তেওঁ এই সময়তে নিজৰ টোকাবহীত লিখিছিল : " শিল্পত মই জীৱনক ব্যাখ্যা কৰিব খুজিছোঁ আৰু ইয়াৰ অৰ্থক নিজকে বুজাব খুজিছোঁ।" বায়েক জোহানা ছফিৰ মাত্ৰ পোন্ধৰ বছৰ বয়সত যক্ষ্মাত মৃত্যু হ'ল। এই মৃত্যুত গভীৰভাৱে ব্যথিত হৈ মুন্‌খে আঁকি উলিয়ালে The Sick Child নামৰ নামৰ এখন অতি অৰ্থবহ ছবি। এই ছবিখনত দেখা গৈছে মৃত্যুমুখৰ এগৰাকী কিশোৰী আৰু কাষত শোকত ভাগি পৰা মাতৃ। এই ছবিখনৰ কিশোৰীগৰাকীয়ে মাত্ৰ কেইমূহুৰ্ত মান পাছতেই পৃথিৱীক বিদায় জনাব। অসহনীয় এই দুখ মাকে বহন কৰিব লাগিব। এই দুখৰ সন্মুখীন হ'বলৈ তেওঁৰ অন্তৰ শক্তি নাই। ওৱে জীৱন এই দুখ তেওঁ বহন কৰিব লাগিব। ঠিক হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ দৰে : " দুখ মোৰ কোলাৰ কেঁচুৱা।" এই দুখ পবিত্ৰ আৰু জীৱনৰ এৰাব নোৱাৰা বিচ্ছিন্নতাৰ সৈতে সম্পৰ্কিত। সেইবাবে ইয়াত হাতখন হিম শীতল আৰু এক স্বকীয় উজ্জ্বলতাৰে ৰৈ থকা : " মই সুধিলো মন্দিৰলৈ যোৱাৰ বাট কেনি? তেওঁ আগবঢ়াই দিলে চকুলোৰে সেমেকা হাতখনি।" এই দুখ মানুহৰ প্ৰাচীনতম সংগী। ভগৱান বুদ্ধই পুত্ৰ হেৰুৱা এগৰাকী

( ছয় পৃষ্ঠাত চাওক)

# অপেক্ষা

ইভা গন্ধীয়া ফুকন



তোমালৈ লিখা চিঠিখন
ডাকোৱালে দিলে কি নিদিলে
তাৰ হে বাতৰি নাপাওঁ ভালেকৰি
উত্তৰ পোৱাৰ আশাত চকু আলিবাটত
জানোচা ডাকোৱালৰ টিলিঙা বাজে
চিঠি মই পোৱা নাই
মনে কৰে হাহাকাৰ
তোমালোকৰ বন চোৰোকা চোতাল খনে
হিয়া মোৰ ধূনে
সেন্দুৰৰ টেমা বিচাৰি চাইকেলৰ চেইন পৰে
পদূলিমুখত টিলিঙা নাবাজে
কেৰিয়াৰৰ পৰা খহি পৰে ঘৰমুৱা বজাৰ
জীৱন নামৰ সপোনৰ ফুল
বিয়াৰ সোণৰ আঙুঠি গঢ়োৱা হ'ল নে নহ'ল
তাৰ হে বাতৰি পোৱা নহ'ল
চহৰৰ ল'ৰাৰ লগত
ঘৰত চলিছে বিয়াৰ আয়োজন
মোৰ মনৰ কথা নুবুজিলে কোনোৱে
সোণৰ আঙঠিত মৰমৰ জোখ নোপোৱা জানমণি
তোমাৰ কথা ৰাখি গঢ়ালো সোণৰ আঙুঠি
পিন্ধাবলৈহে নাপালোঁ তোমাক বিচাৰি
তোমালৈ চিঠিবোৰ নিলিখা হ'লেই ভাল আছিল
অন্ততঃ উত্তৰবোৰৰ প্ৰত্যাশাত লুণীয়া নহ'লহেঁতেন
মোৰ টোপনি
তোমাৰ সোঁৱৰণীবোৰ উশাহে উশাহে বুকুলৈ নামে
মদৰ নিচা যেন বৰষুণত তিতা
এপাহি কজলা কজলা ফুলৰ হেঁপাহ
তোমাৰ নিচা যেন ক্ষিপ্ৰতাৰে মোৰ বুকুলৈ
উজাই আহিব খোজা উশাহ !!

# গণৰাজ্য দিৱস




অনামিকা (সংগীতা) কলিতা,শুৱালকুছি

ভাৰতবৰ্ষ এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্ম নিৰপেক্ষ, গণতান্ত্ৰিক, গণৰাজ্য। দেশখনে এই পৰ্যায় পাব'লৈ যথেষ্ট ত্যাগ কষ্ট কৰিব লগা হৈছিল। ১৯৪৭চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষ ইংৰাজ শাসনৰ পৰা মুক্ত হৈ স্বতন্ত্ৰ ৰাষ্ট্ৰ হিচপে শাসন ভাৰ গ্ৰহন কৰিছিল। এখন দেশে স্বাধীনতা লাভ কৰাৰ পিছত চৰকাৰ খনক নিজাকৈ এখন সংবিধান প্ৰয়োজন অনুভৱ কৰে। ড॰ ভীমৰাও অম্বেদকাৰ হ'ল সংবিধান প্ৰণেতা। ১৯৫০চনত ২৬ জানুৱাৰীত সংবিধান গৃহিত হয়। ভাৰতে প্ৰথম ৰাষ্ট্ৰপতি এগৰাকী লাভ কৰে তেখেত হ'ল স্বাধীনতা সংগ্ৰামী মহান ব্যক্তি ড॰ ৰাজেন্দ্ৰ প্ৰসাদ, সেই দিনটোত গণৰাজ্য দিৱস পালন কৰা হৈছিল। যি সকলে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি স্বদেশ আৰু স্বজাতিৰ বাবে প্ৰাণ আহুঁতি দি দেশৰ বিজয় ধ্বজা উৰুৱাবলৈ সক্ষম হৈছিল তেনে মহান ব্যক্তি সকলক পৰম বীৰ চক্ৰৱে সন্মান জনায়। জনমভূমি আমাৰ আটাইতকৈ আপোন। স্বদেশৰ বাবে নিস্বাৰ্থভাৱে দেশ সেৱা কৰা উচিত স্বদেশ থাকিলেহে আমি জীয়াই থাকিম। দেশৰ কাৰণে বিভিন্ন দায়িত্বত থকা বায়ুসেনা, নৌসেনা কৰ্তব্যপৰায়ণ ব্যক্তি সকলক "মহাবীৰ, অশোকচক্ৰ, বীৰ চক্ৰ, পৰম বীৰ চক্ৰ" ইত্যাদি সন্মান গণৰাজ্য দিৱসত প্ৰদান কৰে।

দেশ এখন প্ৰগতিশীল চিন্তাধাৰাৰে আগবঢ়াই নিবলৈ চেষ্টা কৰে তেতিয়াহে গণৰাজ্য দিৱস প্ৰকৃত অৰ্থত লাভ কৰিব পাৰে ।

জয় আই অসম, ভাৰত মাতা কি জয়

# শীতৰ প্ৰথম বৰষুণ জাক



**নাচিমা য়াচমিন, বিশ্বনাথ চাৰিআলি**

শীতৰ প্ৰথম বৰষুণ জাকে
আজি হৃদয় গভীৰত
নতুনকৈ আশাৰ বীজ
সিচিছে।
শীতৰ ওপৰৰ আৱৰণত
ঠাণ্ডাৰ দলিচাখন পাৰি
দেহ মন কঁপাই তুলিছে।
প্ৰেমৰ এই বৰষুণ জাকে
মৰুভূমি সদৃশ হৃদয়খনক
আকৌ জিপাল কৰি গ'ল,
তোমালৈ থকা মোৰ অভিমানখিনি
কৰবাত গৈ তল পৰি ৰ'ল।
বৰষুণজাক আৰু তোমাৰ
অভিমানৰ মাজত
বহুখিনিয়েই সাদৃশ্য আছে জানা,
দুয়ো যিমান বেছি সুন্দৰ
তাতোকৈ বেছি ভয়ংকৰ।
শীতৰ প্ৰকোপতা যিমানেই বাঢ়িছে,
তোমাৰ প্ৰতি মৰমবোৰ সিমানেই বাঢ়িছে,
তুমিয়েই কোৱা নাছিলা জানো
দুবাহুৰে আঁকোৱালি ৰাখিম সদায়,
হৃদয়ৰ সোঁ-মাজতে।

# তই পাৰিবিনে



**লোহিত মানিকীয়াল, ডিব্ৰুগড়**

তই পাৰিবিনে দুপৰৰ নিস্তব্ধতাত অহা পুৰাতন সুৰবোৰক
তোৰ ভালপোৱাৰে মন গহনৰ পৰা আঁতৰাই
আলফুলে সাবটিব বুকুৰ মাজত।
ৰ'দ হৈ পাৰিবিনে ৰ'দাব
ছলনাৰ মায়াজালত পৰি শ্বাসৰুদ্ধ জীৱন কটাই
বিষণ্ন বৰষাত তিতি জুৰুলি জুপুৰি হোৱা মনক।
পাৰিবিনে বাৰু লঠঙা হৃদয়ত
এমুঠি সেউজীয়া হ'বলৈ
ঠন ধৰি উঠাকৈ এপাহি নতুন আশাফুল।
নীৰলে শুই পৰা সপোনবোৰক
পাৰিবিনে বাৰু তই
তোৰ ভালপোৱাই সাৰ পোৱাবলৈ।
বাট হেৰুৱাই পেলোৱা
তমসাই আবৰা জীৱনক
তই আগুৱাই নিব পাৰিবিনে এটি জোনাকী বাটেৰে।

# আপুনি আনৰ বাবে কি কৰিছে?



**সংযুক্তা দত্ত, মিছামৰা**

জীৱনৰ আটাইতকৈ নিৰন্তৰ আৰু জৰুৰী প্ৰশ্নটো - 'আপুনি আনৰ বাবে কি কৰি আছে।' - মাৰ্টিন লুথাৰ কিং, জুনিয়ৰ।

আমি প্ৰত্যেকেই জীৱনত এটা উচ্চ স্থান পাবৰ বাবে কিবা নহয় কিবা এটা নিশ্চয় কৰি থাকোঁ, যাতে ভৱিষ্যতে আমাৰ ভাল হয়। সুখী আৰু সফল জীৱন সকলোৰে কাম্য। সেইবাবে আমি প্ৰত্যেক দিনাই নিজৰ কাম অধিক ভালদৰে কৰিবলৈ চেষ্টা কৰোঁ। আমি সকলোৱে নিজৰ বাবেই কাম কৰোঁ। আমি নিজৰ বাবে যেতিয়া কাম কৰোঁ সেই কাম আমি নিস্বাৰ্থভাৱে কৰোঁ। কামটোত যাতে কোনোধৰণৰ ভুল থাকি নাযায়, তাৰবাবে আমি যৎপৰোনাস্তি চেষ্টা কৰোঁ। আমি এই চেষ্টা অব্যাহত ৰাখিবই লাগিব। কাৰণ - এজন ব্যক্তিৰ পৰিচয় সদায় তেওঁৰ কামেৰেই দিয়ে। যিকোনো এটা কাম যদি আমি সততাৰে কৰি থাকোঁ, তেনেহ'লে সেই কামটোৰ দ্বাৰাই আমি এদিন ক্ষমতাও লাভ কৰোঁ। সততাৰে কৰিব নোৱাৰা কিছুমান কাম আমি ক্ষমতাৰে কৰিব পাৰোঁ। এটা কথা সদায় লক্ষ্য ৰাখিব লাগিব, আমি ক্ষমতাৰে কৰা কাম এটা যাতে সততাৰ দ্বাৰাহে সিদ্ধ হয়।

আমাৰ প্ৰত্যেকৰে জীৱনত এনেকুৱা এটা মুহূৰ্ত আহে য'ত আমি সকলোৱে নিজকে এবাৰ হ'লেও সোধাৰ প্ৰয়োজন - আপুনি আনৰ বাবে কি কৰিছে? সেয়া সমাজৰ প্ৰতিজন সচেতন ব্যক্তিৰ বাবে হ'ব পাৰে তথা যিকোনো বৃত্তিধাৰী লোকৰ বাবেও হ'ব পাৰে। এই কথাষাৰ আমাৰ সকলোৰে মনলৈ এবাৰ হ'লেও অহা উচিত। আমি সকলোৱে এটা কথা জানো যে আমাৰ জীৱনৰ অন্তিম ক্ষণত কোনেও হিচাপ নলয় যে - আমি নিজৰ বাবে কি কৰিলোঁ বা নকৰিলোঁ। সমাজত স্থান কেনেকুৱা আছিল উচ্চ নে নিম্ন। কিন্তু ইয়াৰ বিপৰীতে এটা কথা সকলোৱে হিচাপ ল'ব তেওঁ ব্যক্তিজন জীৱিতকালত কেনেকুৱা আছিল? তেওঁ আনৰ বাবে কিবা কৰি থৈ গৈছেনে? আনৰ বাবে কৰা এটা সৰু কামৰ দ্বাৰাই এদিন আপোনাক সকলোৱে মনত ৰাখিব। গতিকে জীৱনৰ আটাইতকৈ নিৰন্তৰ আৰু জৰুৰী প্ৰশ্নটো হ'ল - আপুনি আনৰ বাবে কি কৰি আছে?

# স্বদেশ প্ৰেম

**কবিতা শৰ্মা, দিল্লী**



ল'ৰাটোৱে প্ৰাণপনে দৌৰিছে। খালী শীৰ্ণ দুভৰি তাৰ ধুমুহাৰ গতিত চলিছে। আন কোনো ফালেই নাই তাৰ ভ্ৰূক্ষেপ। তাৰ ক'লা দেহাত ঘামবোৰ মুকুতা হৈ জিলিকিছিল। ওপৰলৈ চাই চাই সি মাথো দৌৰিছে। লক্ষ্য মাথো এটাই। বাটৰ কাষৰ প্ৰকাণ্ড জাবৰৰ দমটোৰ ওপৰত সূতা চিঙি ওপৰৰ পৰা পৰিব ধৰা চিলাখন থাপ মাৰি ধৰি সি বৈ গ'ল। মুখত বিজয়ৰ হাঁহি। উজ্জ্বল দুচকুত স্বদেশপ্ৰেমৰ তিৰবিৰনি। তাৰ ভঙা জুপুৰিটোৰ উৰুখা চালত সি গাঠি দিলে সেই চিলাখন। ওপৰলৈ মূৰ কৰি সগৌৰৱে ফৰফৰাই উৰি থাকিল আমাৰ সকলোৰে প্ৰাণৰ জাতীয় পতাকা খন .....

# অচলোৰ তেজ ৰঙা আকাশ

শোকাতুৰ মাতৃক কাৰো মৃত্যু নোহোৱা এখন ঘৰৰ পৰা অকল এমুঠি সৰিয়হ আনিবলৈ কোৱা কথাটোৰ লেখীয়া। ভাবি আচৰিত লাগে যে এই ছবিখনক অচলো চহৰৰ সেই সময়ৰ দৰ্শকে গ্ৰহণ কৰিব পৰা নাছিল। আনকি প্ৰদৰ্শনীখনেই বন্ধ কৰিব লগীয়া হৈছিল। কিন্তু আজি এই ছবি নৰৱেৰ গৌৰৱ। শিল্পী মুন্‌খে পৰৱৰ্তী চল্লিশ বছৰত এই ছবিখনৰ ছটা তাঙৰণ প্ৰস্তুত কৰিছিল । মুন্‌খে কিছু সময় পেৰিছত কটাইছিল। পল গঁগা, ভিনচেন্ট ভেন গঘ আৰু তলুঁজ - লত্ৰেকৰ কেনভাছত বিধৃত আৱেগে তেওঁক গভীৰ ভাৱে স্পৰ্শ কৰিছিল। অৱশ্যে মুন্‌খে মানুহৰ প্ৰকৃতিৰ আদিম অৱস্থাক (primitive in human nature) জানিবলৈ পল গঁগাৰ দৰে টাহিটিলৈ যাব হোৱা নাছিল। স্মৰ্তব্য যে টাহিটিৰ বিশ্বৰ শিল্প জগতত এখন বিশাল ভূমিকা আছে। মুন্‌খে নিজৰেই এখন টাহিটিক বুকুৰ মাজত কঢ়িয়াই ফুৰিছিল। সংগীত সম্ৰাট ড° ভূপেন হাজৰিকাই অসমৰ প্ৰথিতযশা শিল্পী বীৰেন সিংহই কাৰ্বি লোকজীৱনৰ সংস্পৰ্শত সৃষ্টি কৰা অমৰ শিল্পকৰ্ম সন্দৰ্ভত এই টাহিটিৰ কথাটো ব্যৱহাৰ কৰিছিল। সাত সাগৰ তেৰ নদীৰ সিপাৰৰ সংবেদনশীল মানুহক টাহিটিয়ে কেনেদৰে চুই আছে, ড° ভূপেন হাজৰিকাৰ কথাটো তাৰেই এক দহদহীয়া প্ৰমাণ।

এডভাৰ্ড মুন্‌খে কটোৱা আশী বছৰীয়া জীৱনত তেওঁ বাৰে বাৰে হতাশাৰ চিকাৰ হৈছিল।

আগলৈ..


জনতাৰ চৰকাৰ
my GOV মেৰী সৰকাৰ
অসম চৰকাৰ
শ্ৰম কল্যাণ বিভাগ
অসম গৃহ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ পৰিষদ
এনআইচি National Informatics Centre
নিৰ্মাণ ক্ষেত্ৰত জড়িত শ্ৰমিকৰ
আৰ্থিক ভেঁটি সুদৃঢ়কৰণৰ অনন্য প্ৰয়াস
নিৰ্মাণ সখি
প'ৰ্টেলৰ ইউ আৰ এল- abocwwb.assam.gov.in
সুবিধাসমূহ
শ্ৰমিকৰ পঞ্জীয়ন
আধাৰ আৰু ই-শ্ৰম সংযুক্তকৰণ
প্ৰাপ্য আৰ্থিক সাহায্যৰ বাবে অনলাইন আবেদন
স্বচ্ছতা আৰু ক্ষিপ্ৰতাৰে নিৰ্মাণ শ্ৰমিকসকলক আৰ্থিক সাহায্য প্ৰদানৰ এক প'ৰ্টেল
NIRMAN SAKHI
Dedicated to the Welfare of Construction Workers
JANASANYOG- 4071/24/26-Jan-25
ইতিমধ্যে পঞ্জীয়নভুক্ত শ্ৰমিকসকলে নিজৰ আধাৰ সংযুক্ত কৰি পুনৰ এই নতুন প'ৰ্টেলটোত পঞ্জীয়ন কৰিব লাগিব
সবিশেষ জানিবলৈ নিকটৱৰ্তী শ্ৰম বিষয়াৰ কাৰ্যালয় নাইবা ৰাজহুৱা সুবিধা কেন্দ্ৰ (PFC)ৰ সৈতে যোগাযোগ কৰক
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam
dipr.assam.gov.in

বাণিজ্য চৰ্চা

# কিষাণ বিকাশ পত্ৰ (KVP)কি আৰু ইয়াত কিদৰে বিনিয়োগ কৰিব পাৰি?

ড° দিলোৱাৰ হক,
গুৱাহাটী

কিষাণ বিকাশ পত্ৰ হৈছে মূলতঃ ক্ষুদ্ৰ বিনিয়োগকাৰীক লক্ষ্য কৰি প্ৰৱৰ্তন কৰা ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সমৰ্থিত এক সঞ্চয় আঁচনি। এই আঁচনিয়ে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত বিনিয়োগকাৰীৰ বিনিয়োগৰ ধন দুগুণ কৰাৰ নিশ্চিত আৰু নিৰাপদ উপায় আগবঢ়ায়।এই আঁচনিখন পোন প্ৰথমবাৰৰ বাবে ১৯৮৮ চনত প্ৰৱৰ্তন কৰা হৈছিল। ২০১১ চনত এই আঁচনিখন বন্ধ কৰি দিয়া হৈছিল। গ্ৰাম্য আৰু অৰ্ধনগৰীয়া জনসাধাৰণৰ মাজত সঞ্চয় আৰু বিনিয়োগক উৎসাহিত কৰিবলৈ ২০১৪ চনত কিষাণ বিকাশ পত্ৰ আঁচনিখনৰ কিছু সাল-সলনি সাধন কৰি পুনৰ প্ৰৱৰ্তন কৰা হয়। কিষাণ বিকাশ পত্ৰত বিনিয়োগকাৰীয়ে কৰা বিনিয়োগৰ ধন কম বিপদজনক প্ৰকৃতিৰ হয়। এই আঁচনিখন ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সমৰ্থিত আৰু চৰকাৰী নিশ্চয়তা প্ৰাপ্ত হয়। চৰকাৰৰ দ্বাৰা সমৰ্থিত আৰু নিশ্চয়তা প্ৰাপ্ত হোৱাৰ উপৰিও পৰিপক্কৰ (মেচিউৰিটিৰ) কালত লাভ কৰা উপাৰ্জনৰ ধন কৰ মুক্ত হোৱা বাবে এই আঁচনিখন ক্ষুদ্ৰ সঞ্চয়কাৰী আৰু বিনিয়োগকাৰীৰ মাজত জনপ্ৰিয় হয়।

কিষাণ বিকাশ পত্ৰত কেনেকৈ বিনিয়োগ কৰিবঃ

কিষাণ বিকাশপত্ৰ (কেভিপি)ত বিনিয়োগ কৰাটো সহজ আৰু সুলভ। বিনিয়োগকাৰীয়ে সমগ্ৰ ভাৰতৰ যিকোনো ডাকঘৰৰ পৰা বা অনুমোদিত বাণিজ্যিক বেংকৰ জৰিয়তে কিষাণ বিকাশ পত্ৰ (কেভিপি) প্ৰমাণপত্ৰ ক্ৰয় কৰিব পাৰিব। আবেদন প্ৰক্ৰিয়াত কিছুমান মৌলিক নথি পত্ৰৰ প্ৰয়োজন হয়, যেনে পৰিচয়ৰ প্ৰমাণ- আধাৰকাৰ্ড, পেনকাৰ্ড, ইত্যাদি।

প্ৰমাণপত্ৰ সমূহ বিনিয়োগকাৰীৰ নামত প্ৰদান কৰা হয়, আৰু সেইবোৰ ব্যক্তিগতভাৱে, যৌথভাৱে বা নাবালকৰ হৈ ক্ৰয় কৰিব পাৰি। যিকোনো ভাৰতীয় নাগৰিকে কিষাণ বিকাশ পত্ৰ ক্ৰয় কৰিব পাৰিব। কোনো এজন প্ৰাপ্ত বয়স্ক ভাৰতীয়ই তেওঁৰ নিজৰ নামত, অথবা তেওঁ এজন অভিভাৱক হিচাপত কোনো এজন নাবালকৰ নামত কিষাণ বিকাশ পত্ৰ ক্ৰয় কৰিব পাৰিব। কোনো এজন নাবালক যাৰ বয়স ১০ বছৰ হৈছে তেওঁ নিজেই নিজৰ নামত কিষাণ বিকাশ পত্ৰ ক্ৰয় কৰিব পাৰিব। যৌথভাৱে সৰ্বাধিক তিনিজন প্ৰাপ্তবয়স্ক ব্যক্তিয়ে একেলগে কিষাণ বিকাশ পত্ৰ ক্ৰয় কৰিব পাৰিব।

কিষাণ বিকাশ পত্ৰ আঁচনিখনৰ প্ৰধান বৈশিষ্ট্য বোৰ হ'লঃ

**১) নিশ্চিত প্ৰতিদান (Returns)ঃ** কিষাণ বিকাশ পত্ৰ আঁচনিখনে বিনিয়োগকাৰী সকলক নিশ্চিত প্ৰতিদান বা ৰিটাৰ্ণ প্ৰদান কৰে। এই আঁচনিৰ অধীনত এটা নিৰ্দিষ্ট সময়ৰ অন্তত বিনিয়োগকাৰীৰ বিনিয়োগৰ টকা দুগুণ হয়।আঁচনিৰ মেচিউৰিটি পিৰিয়ড অৰ্থাৎ পৰিপক্কতাৰ কাল সুতৰ হাৰৰ সৈতে জড়িত, যিটো চৰকাৰে সময়ে সময়ে সংশোধন কৰে। চৰকাৰে সুতৰ হাৰৰ পৰিৱৰ্তন কৰিব পাৰে। উদাহৰণস্বৰূপে, ২০২৪ চনৰ হিচাপত কিষাণ বিকাশ পত্ৰ আঁচনিয়ে বছৰি ৭.৫% সুতৰ হাৰ, আৰু এই সুতৰ হাৰত ১১৫ মাহ বা ৯ বছৰ আৰু ৭ মাহত বিনিয়োগৰ ধন দুগুণ হয়।

**২) পঁন্যতম বিনিয়োগঃ** কিষাণ বিকাশ পত্ৰ আঁচনিৰ অধীনত কোনো এজন বিনিয়োগকাৰীয়ে পঁন্যতম ১০০০ টকা আৰু তাৰ পিছত ১০০ টকাৰ বহু গুণত বিনিয়োগ কৰিব পাৰে। বিনিয়োগৰ কোনো নিৰ্দিষ্ট সৰ্বোচ্চ সীমা নাই, যাৰ বাবে ই সৰু আৰু বৃহৎ বিনিয়োগকাৰী উভয়ৰে বাবে এক নমনীয় বিকল্প হিচাপে জনপ্ৰিয়।

৩) **কোনো কৰৰ সুবিধা নাইঃ** কিষাণ বিকাশ পত্ৰ আঁচনিখনে বিনিয়োগকাৰীক বিনিয়োগ কৰা টকাৰ ওপৰত নিশ্চিত প্ৰতিদান বা ৰিটাৰ্ণ প্ৰদান কৰিলেও আয়কৰ আইনৰ ধাৰা ৮০ চি (৮০) ৰ অধীনত আঁচনিখনে কোনো ধৰণৰ কৰ সুবিধা প্ৰদান নকৰে। কিন্তু এই আঁচনিত বিনিয়োগকাৰীয়ে টকা বিনিয়োগ কৰি উপাৰ্জন কৰা সুত "অন্য উৎসৰ পৰা আয়"ৰ অধীনত কৰ যোগ্য বুলি গ্ৰহণ কৰা হয়।

**৪) স্থানান্তৰ যোগ্যতাঃ** কিষাণ বিকাশ পত্ৰ আঁচনিখনৰ অধীনত বিনিয়োগকাৰীয়ে টকা বিনিয়োগ কৰি ক্ৰয় কৰা প্ৰমাণ পত্ৰ এজন ব্যক্তিৰ পৰা আন এজনলৈ হস্তান্তৰ কৰিব পৰা যায়, যাৰ ফলত পৰিয়ালৰ সদস্যৰ ভিতৰত সম্পত্তি উপহাৰ বা পাছ কৰাৰ ক্ষেত্ৰত ই উপযোগী।

**৫) অকালতে বা পৰিপক্কতা লাভৰ পূৰ্বেই টকা উলিওৱাঃ** কিষাণ বিকাশ পত্ৰৰ এটা নিৰ্দিষ্ট লক-ইন সময় থাকে। অৰ্থাৎ এই আঁচনিৰ অধীনত বিনিয়োগকাৰীয়ে তেওঁলোকে কৰা বিনিয়োগৰ টকা এটা নিৰ্দিষ্ট সময়লৈ আঁচনিত জমা ৰাখিব লাগে। কিন্তু বিনিয়োগকাৰীৰ প্ৰয়োজনত বা বিশেষ কিছু নিৰ্দিষ্ট পৰিস্থিতি যেনে প্ৰমাণপত্ৰধাৰীৰ মৃত্যু বা আদালতৰ আদেশ ইত্যাদি পৰিস্থিতিত আঁচনিত বিনিয়োগ কৰা টকা পৰিপক্কতা লাভৰ পূৰ্বেই বা অকালতে উলিওৱাৰ অনুমতি দিয়া হয়। অৱশ্যে আগতীয়াকৈ টকা উলিওৱাৰ ক্ষেত্ৰত বিনিয়োগকাৰীয়ে পৰিপক্কতা লাভৰ পূৰ্বে টকা উলিওৱাৰ লগত জড়িতজৰিমনা পৰিশোধ কৰিবলগীয়া হয়।

**৬) কিষাণ বিকাশ পত্ৰৰ বিৰুদ্ধে ঋণঃ** এই আঁচনিৰ অধীনস্ত বিনিয়োগকাৰীয়ে তেওঁলোকৰ কিষাণ বিকাশ পত্ৰৰ প্ৰমাণ পত্ৰকো জামিন হিচাপে ব্যৱহাৰ কৰি বেংকৰ পৰা ঋণ লাভ কৰিব পাৰে। বাণিজ্যিক বেংকৰ পৰা ঋণ লাভ কৰাৰ ক্ষেত্ৰত কিষাণ বিকাশ পত্ৰৰ প্ৰমাণ পত্ৰক জামিন হিচাপে ব্যৱহাৰ তথা বেংকেগ্ৰহণ কৰাৰ ফলত ই নগদ টকা বা লিকুইডিটিৰ প্ৰয়োজনীয়তাৰ বাবে এক বহুমুখী বিত্তীয় আহিলা হিচাপে গণ্য কৰা হয়।

কিষাণ বিকাশ পত্ৰই কেনেকৈ কাম কৰে: কিষাণ বিকাশ পত্ৰত বিনিয়োগকাৰীয়ে টকা বিনিয়োগ কৰি কিদৰে লাভবান হ'ব পাৰিব তাক এটা সংখ্যাগত উদাহৰণৰ সহায়ত তলত ব্যাখ্যা কৰা হ'ল:

**পৰিস্থিতি ১ঃ** ধৰি লোৱা হ'ল কোনো এজন ব্যক্তিয়ে ২০২৪ চনৰ জানুৱাৰী মাহৰ ৰ তাৰিখত বছৰি৭.৫% সুতৰ হাৰত কিষাণ বিকাশ পত্ৰত মৌলিক বিনিয়োগ অৰ্থাৎ প্ৰাৰম্ভিক বিনিয়োগ হিচাপত ৫০, ০০০ টকা বিনিয়োগকৰ। বৰ্তমানৰ সুতৰ হাৰ অনুসৰি এই বিনিয়োগ ৰৰপ্তমাহত বা ৯ বছৰ আৰু ৭ মাহত দুগুণ হ'ব। অৰ্থাৎ বিনিয়োগকাৰীয়ে ক্ৰয় কৰা কিষাণ বিকাশ পত্ৰ ২০৩৩ চনৰ ৩১জুলাইত পৰিপক্কতা বা মেচিউৰিটি লাভ কৰিবআৰু বিনিয়োগকাৰীয়ে কৰা ৫০, ০০০ টকা বিনিয়োগৰ বিপৰীতে তেওঁ মুঠ ১, ০০, ০০০ টকা উভতাই পাব, যিটো বিনিয়োগৰ টকাৰ দুগুণ হয়। এই উদাহৰণটোৰ পৰা দেখা গ'ল যে -

(i) প্ৰাৰম্ভিক বিনিয়োগ (২০২৪) : ৫০, ০০০টকা

(ii) মেচিউৰিটিৰ পৰিমাণ (২০৩৩): ১, ০০, ০০০টকা

এইদৰে ২০৩৩ চনৰ ভিতৰত বিনিয়োগকাৰীৰ ৫০, ০০০টকা ১, ০০, ০০০টকালৈ বৃদ্ধি পাব, যাৰ ফলত মূল বিনিয়োগ দুগুণ হ'ব।

**পৰিস্থিতি ২ঃ** একে দৰে বৃহৎ বিনিয়োগৰ পৰিমাণৰ এটা উদাহৰণ দাঙি ধৰা হ'ল।যদি কোনো বিনিয়োগকাৰীয়ে ২০২৪ চনৰ ৰজানুৱাৰীত কিষাণ বিকাশ পত্ৰত ৫, ০০, ০০০টকা ৰাখে বা বিনিয়োগ কৰে, তেন্তে ১১৫ মাহ বা ৯ বছৰ ৭মাহৰ পিছত বিনিয়োগ পুনৰ দুগুণ হ'ব, অৰ্থাৎ ২০৩৩ চনৰ জুলাই মাহৰ ৩১ তাৰিখত ১০, ০০, ০০০ টকা হ'ব।

(i) প্ৰাৰম্ভিক বিনিয়োগ (২০২৪)ঃ ৫, ০০, ০০০টকা

(ii) মেচিউৰিটি বা পৰিপক্কতাৰ পৰিমাণ (২০৩৩)ঃ ১০, ০০, ০০০টকা

বিনিয়োগকাৰীয়ে ক্ৰয় কৰা কিষাণ বিকাশ পত্ৰ পৰিপক্কতা বা মেচিউৰিটিৰ লগে লগে ১০, ০০, ০০০ টকা লাভ কৰাৰ আশা কৰিব পাৰে, যাৰ ফলত




সুৰক্ষিত প্ৰতিদান বা ৰিটাৰ্ণ বিচৰা সকলৰ বাবে কিষাণ বিকাশ পত্ৰ এক আকৰ্ষণীয় দীৰ্ঘম্যাদী বিনিয়োগৰ উৎস হয়।

কিষাণ বিকাশ পত্ৰৰ উপকাৰিতা বা সুবিধাসমূহঃ

**১) কম বিপদ আৰু উচ্চ নিৰাপত্তাঃ** কিষাণ বিকাশ পত্ৰ আঁচনিখন ভাৰত চৰকাৰৰ সমৰ্থিত এটা সঞ্চয়ও বিনিয়োগৰ আঁচনি। ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সমৰ্থিত আঁচনি হোৱা বাবেই কিষাণ বিকাশ পত্ৰ উপলব্ধ বিনিয়োগৰ উৎস সমূহৰ অন্যতম নিৰাপদ বিকল্প বিনিয়োগ আঁচনি হয়। বিনিয়োগকাৰীয়ে বজাৰৰ উঠা-নমা বা মিউচুৱেল ফাণ্ড বা ষ্টকৰ দৰে অন্যান্য বিনিয়োগৰ ক্ষতি শংকা আৰু অনিশ্চয়তাবহনৰ সৈতে জড়িত বিপদৰ বিষয়ে চিন্তা কৰিব নালাগে।

**২) বিনিয়োগৰ টকা দুগুণ কৰাঃ** কিষাণ বিকাশ পত্ৰ আঁচনিৰ জৰিয়তে নিৰ্ধাৰিত মেচিউৰিটিৰ ভিতৰত বিনিয়োগকাৰীৰ প্ৰাৰম্ভিক বিনিয়োগ দুগুণ হোৱাৰ নিশ্চয়তা দিয়া হৈছে, যিটো বৰ্তমান ৰৰপ্ত মাহৰ পৰিপক্কতা লাভৰ সময় ইয়াৰ ফলত বিনিয়োগৰ ওপৰত ভৱিষ্যদ্বাণী যোগ্য আৰু নিশ্চিত লাভ বিচৰা সকলৰ বাবেই আকৰ্ষণীয় হৈ পৰে।

**৩) বিনিয়োগৰ ধন তাৰল্য (লিকুইডিটি)ঃ** যদিও কিষাণ বিকাশ পত্ৰত বিনিয়োগৰ লগত এটা নিৰ্দিষ্ট লক-ইন সময় বা টকা জমা কৰি ৰখাৰ নিৰ্দিষ্ট সময় থাকে, তথাপিও এই আঁচনিৰ অধীনস্ত বিনিয়োগৰ দ্বাৰা ক্ৰয় কৰা প্ৰমাণ পত্ৰৰ বিপৰীতে অকালতে বা পৰিপক্কতাৰ লাভ কৰাৰ পূৰ্বেই টকা উলিওৱা আৰু ঋণৰ ৰূপত তাৰল্যতা বা লিকুইডিটি প্ৰদান কৰা হয়। আৰ্থিক প্ৰয়োজনৰ সময়ত এই নমনীয়তা অত্যন্ত উপযোগী।

**৪) নমনীয় বিনিয়োগৰ পৰিমাণঃ** এই আঁচনিৰ জৰিয়তে বিনিয়োগকাৰীক পঁন্যতম ১, ০০০ টকাৰ পৰা আৰম্ভ কৰি বিনিয়োগৰ অনুমতি দিয়া হৈছে। বিনিয়োগৰ কোনো উচ্চ সীমা নিৰ্দ্ধাৰণ কৰা নাই। ইয়াৰ ফলত ক্ষুদ্ৰ সঞ্চয়কাৰীৰ পৰা আৰম্ভ কৰি উচ্চ আয় উপাৰ্জনকাৰী তথা বৃহৎ পৰিমাণৰ টকা বিনিয়োগকাৰীলৈকে সকলো প্ৰকাৰৰ বিনিয়োগকাৰীৰ বাবে এই আঁচনিত বিনিয়োগ সুলভ হৈ পৰে।

**৫) সহজে স্থানান্তৰযোগ্যঃ** কিষাণ বিকাশ পত্ৰ আঁচনিখনৰ অধীনত বিনিয়োগকাৰীয়ে নিজৰ টকা বিনিয়োগ কৰি ক্ৰয়কৰা প্ৰমাণ পত্ৰসমূহ এজন ব্যক্তিৰ পৰা আন এজন ব্যক্তিলৈ হস্তান্তৰ কৰিব পৰা যায়। যাৰ বাবে কিষাণ বিকাশ পত্ৰ পৰিয়ালৰ ভিতৰত ধন বা সম্পত্তি প্ৰেৰণৰ বাবে উপযোগী কৰি তোলা হয়। ইয়াৰ দ্বাৰা উপহাৰ দিয়া বা স্থানান্তৰ কৰাটোও সহজ হৈ পৰে।

**৬) সহজ আৰু সহজে বুজিব পৰাঃ** কিষাণ বিকাশ পত্ৰ হৈছে এক পোনপটীয়া বিনিয়োগৰ আঁচনি আৰু ই সকলো ধৰণৰজটিলতাৰ পৰা মুক্ত। এই সৰলতাই ইয়াক বিত্তীয় সাক্ষৰতা কম থকা গ্ৰাম্য আৰু অৰ্ধনগৰীয়া অঞ্চলৰলোকৰ মাজত জনপ্ৰিয় কৰি তুলিছে।

কিষাণ বিকাশ পত্ৰৰ সীমাবদ্ধতাঃ

**ক) কৰৰ সুবিধাৰ অভাৱঃ** কিষাণ বিকাশ পত্ৰত কৰা বিনিয়োগত ৰাজহুৱা ভৱিষ্যদ্বাণী পুঁজি (পিপিএফ) বা ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণ পত্ৰ

*(বাৰপৃষ্ঠাত চাওক)*

# নৃত্যাচাৰ্য যতীন গোস্বামীলৈ

মাটিৰ আখৰা, নৃত্য পৰিভাষিক শব্দ আৰু সংখ্যা, ঝুমুৰা নাচ-নাদুভংগী, নৃত্য শিক্ষা, নৃত্যৰ প্ৰাথমিক হস্ত পৰিচয়, অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ জনক হিচাপে খ্যাতি লাভ কৰা যতীন গোস্বামীয়ে পৰৱৰ্তী সময়ত নৃত্যাচাৰ্য সন্মাননেৰে বিভুষিত হৈ প্ৰসিদ্ধি লাভ কৰিছিল। আনহাতে, অসমৰ চাৰিগৰাকী শিক্ষাবিদ-সাহিত্যিক আৰু শিল্পীয়ে লাভ কৰিছে পদ্মশ্ৰী সন্মান। ডিমাচা জনজাতীয় লোক সংগীতত অনবদ্য অৱদানৰ বাবে জয়নাচৰণ বাথাৰীয়ে পদ্মশ্ৰী সন্মাননেৰে সন্মানিত হৈছে। আনহাতে, বিশিষ্ট সাহিত্যিক তথা শিক্ষাবিদ অনিল কুমাৰ বড়োও পদ্মশ্ৰী সন্মাননেৰে সন্মানিত হৈছে। কলা-শিল্পত আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে পদ্মশ্ৰীৰে সন্মানিত হৈছে ৰেৱকান্ত মহন্ত। তদুপৰি সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা বিশেষ অৱদানৰ বাবে পদ্মশ্ৰীৰে সন্মানিত হৈছে গীতা উপাধ্যায়। পদ্মভূষণ বঁটাৰে সন্মানিত হোৱাসকলৰ ভিতৰত আছে সাহিত্য, শিক্ষা, সাংবাদিকতাৰ বাবে কৰ্ণাটকৰ সূৰ্য প্ৰকাশ, কলাৰ বাবে কৰ্ণাটকৰ অনন্ত নাগ, মৰণোত্তৰভাৱে দিল্লীৰ শিক্ষাবিদ বিবেক দেৱৰয়, অসমৰ যতীন গোস্বামী, কেৰালাৰ জ'ছে চাকো, পেৰিয়ামপুৰম, দিল্লীৰ কৈলাস নাগ দীক্ষিত, মৰণোত্তৰভাৱে মহাৰাষ্ট্ৰৰ মনোহৰ যোশী, তামিলনাডুৰ নাল্লি কুল্লুস্বামী শেট্টী, অন্ধ্ৰপ্ৰদেশৰ নন্দমুৰী বালাকৃষ্ণ, কেৰালাৰ পি আৰ শ্ৰীজেশ, গুজৰাটৰ পংকজ পেটেল, মৰণোত্তৰভাৱে মহাৰাষ্ট্ৰৰ পংকজ উধাচ, উত্তৰ প্ৰদেশৰ ৰাম বাহাদুৰ ৰায়, সাব্বি ৰীতাম্বৰা, তামিলনাডুৰ এছ অজিত কুমাৰ, মহাৰাষ্ট্ৰৰ শেখৰ কাপুৰ, তামিলনাডুৰ শোবানা চন্দ্ৰ কুমাৰ, মৰণোত্তৰভাৱে বিহাৰৰ সুনীল কুমাৰ মোদী আৰু আমেৰিকাৰ বিনোদ ধাম।

# অসম আৰক্ষীৰ উপ

বালুৰাম চাউদাং, হাবিলদাৰ হেৰম্ব নাথ, হেড কনিষ্টবল দীপক কাকতি, শংকু চৌধুৰী, নায়ক বাপধন ৰাজবংশী আৰু কনিষ্টবল গজেন মৰাণ। আনহাতে অগ্নিনিৰ্বাপক সেৱাত বিশিষ্ট সেৱা আগবঢ়োৱাৰ বাবে পদক লাভ কৰা ব্যক্তিসকল হ'ল- গাড়ীচালক জয়ৰাম বড়ো, উপ-বিষয়া যতীন্দ্ৰ নাথ কলিতা, কেশৱ চন্দ্ৰ কলিতা, ষ্টেচন বিষয়া নাছিদ আলী, বিপুল কলিতা, প্ৰবীণ চন্দ্ৰ দাস আৰু স্কোৱাড কমাণ্ডাৰ গণেশ ডেকা। একেদৰে গৃহৰক্ষী তথা অসামৰিক প্ৰতিৰক্ষাত বিশিষ্ট সেৱাৰ বাবে পদক লাভ কৰিছে প্লাটুন কমাণ্ডাৰ ভুবন কলিতা, অসামৰিক প্ৰতিৰক্ষা স্বেচ্ছাসেৱক উৎপল ঘোষ আৰু দীপাংকৰ বৰগোহাঁয়ে। উল্লেখ্য যে এই বছৰ সাহসিকতাৰ বাবে পদক লাভ কৰিছে দেশৰ ৯৫জন বিষয়া-জোৱানে। সেইদৰে বিশিষ্ট সেৱাৰ বাবে ১০১জনে ৰাষ্ট্ৰপতিৰ পদক আৰু ৭৪৬জনে বিশিষ্ট সেৱা পদক লাভ কৰিছে।

# অষ্টম বাৰ্ষিক দৰাবিল

লগত প্ৰকৃতিৰ যি এৰাবনোৱাৰা সম্পৰ্ক সেই সম্পৰ্কে চমুকৈ কয়। সম্পাদক দাসে দৰাবিল সংলগ্ন কলহী নদীত উপলব্ধ আপুৰুগীয়া নদী শিহুৰ ভৱিষ্যতৰ স্বাৰ্থতো যে দৰাবিলৰ সংৰক্ষণ জৰুৰী সেই বিষয়ে সকলো শ্ৰেণীৰ মানুহেই ভালদৰে বুজা উচিত বুলি মন্তব্য কৰে। দৰাবিল মহোৎসৱৰ পক্ষী নিৰীক্ষণ কেন্দ্ৰস্থলত হোৱা উন্মোচনী-পৰ্বত মহোৎসৱ উদযাপন সমিতিৰ সভাপতি গিৰীন্দ্ৰ কলিতা, সম্পাদক শৈলেন কৈৱৰ্ত, থানেশ্বৰ মেধি, প্ৰাক্তন সম্পাদক দীপক দাস, হিতেশ মেধিকে ধৰি বহুসংখ্যক লোক তথা বিষয়ববীয়া উপস্থিত আছিল।

# গুৱাহাটী বিশ্ববিদ্যালয়

আনহাতে বিশ্ববিদ্যালয়খনৰ চৌহদৰ কৃত্ৰিম বান সমস্যাৰ বিষয়ে বুজ লৈ মন্ত্ৰী হাজৰীকাই ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগৰ মুখ্য অভিযন্তা আৰু আন সংশ্লিষ্ট অভিযন্তাসকলক জৰুৰীকালীনভাৱে বিভাগে বান নিয়ন্ত্ৰণৰ বাবে কৰি থকা কামসমূহ ক্ষীপ্ৰতৰ কৰি তুলিবলৈ নিৰ্দেশ দিয়ে। আনহাতে এই কামসমূহৰ উপৰিও বিশ্ববিদ্যালয় চৌহদৰ কৃত্ৰিম বানৰ স্থায়ী আৰু দীৰ্ঘম্যাদী সমাধানৰ বাট উলিয়াবলৈ অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ বিশেষজ্ঞৰ সহায়ত এটা বিশেষ অধ্যয়ন কৰাৰ ব্যৱস্থা ল'বলৈও মন্ত্ৰীগৰাকীয়ে বিভাগীয় মুখ্য অভিযন্তাক নিৰ্দেশ দিয়ে। জলসম্পদ মন্ত্ৰীগৰাকীয়ে পাছত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, পঞ্জীয়ক আৰু জলসম্পদ বিভাগৰ মুখ্য অভিযন্তাৰ সৈতে চৌহদৰ পৰা কৃত্ৰিম বান উলিয়াই নিবলৈ বিভাগৰ তৰফৰ পৰা চলাই থকা কামসমূহ পৰিদৰ্শন কৰে। বিশ্ববিদ্যালয় চৌহদত থকা প্ৰাকৃতিক জলাশয়বোৰ উন্নত কৰি কিছু পৰিমাণে অতিৰিক্ত পানী জমা কৰাৰ বিষয়েও এই পৰিদৰ্শনকালত সকলোৰে গুৰুত্ব প্ৰদান কৰে।

# মুম্বাই আক্ৰমণৰ মাষ্টাৰ মাইণ্ড

নৱেম্বৰত পাকিস্তানৰ পৰা অহা ১০ লস্কৰ-ই-তৈবা সন্ত্ৰাসবাদীৰ মুম্বাইত আক্ৰমণৰ পৰিকল্পনাত ৰানা প্ৰত্যক্ষভাৱে জড়িত আছিল বুলি অভিযোগ কৰি আহিছে ভাৰতে। পৰৱৰ্তী সময়ত দ্বিপাক্ষিক বন্দী প্ৰত্যৰ্পণ চুক্তি অনুসৰি ৰানাক আমেৰিকাৰ পৰা ভাৰতলৈ ওভতাই অনাৰ চেষ্টা চলোৱা হৈছিল। ২০২০ চনৰ জুন মাহত মুম্বাইৰ কূটাঘাতৰ গোচৰত পুনৰ ৰানাক গ্ৰেপ্তাৰ কৰে আমেৰিকাৰ আৰক্ষীয়ে। কেলিফ'ৰ্নিয়াৰ এখন আদালতত ৰানাৰ তৰফৰ পৰা জামিনৰ আবেদন জনোৱা হৈছিল যদিও এয়া খাৰিজ হৈ গৈছিল। ফলত ৰানাৰ প্ৰত্যৰ্পণৰ পথ প্ৰশস্ত হৈ পৰে। ২০০৮ চনৰ নৱেম্বৰ মাহত এই সন্ত্ৰাসবাদীৰ আক্ৰমণত শতাধিক লোকৰ মৃত্যু হৈছিল মুম্বাইত। মৃত্যু হোৱা লোকসকলৰ ভিতৰত ছগৰাকী মাৰ্কিন নাগৰিকো আছিল। লক্ষণীয়ভাৱে ইতিমধ্যে এই আক্ৰমণৰ ঘটনাত ৰানা জড়িত বুলি ঘোষণা কৰাৰ উপৰি পাকিস্তানী বংশোদ্ভৱ কানাডিয়ান নাগৰিকগৰাকীক দোষীও সাব্যস্ত কৰিছে ভাৰতৰ আদালতে। বৰ্তমান আমেৰিকাৰ লছ এঞ্জেলছৰ এখন কাৰাগাৰত বন্দী হৈ আছে ৰানা। মাৰ্কিন প্ৰশাসনে ৰানাক ভাৰতৰ হাতত তুলি দিবলৈ ৰাজী হৈছে। কিন্তু আইনী পথ গ্ৰহণ কৰি বাৰে বাৰে প্ৰত্যৰ্পণৰ পৰা সাৰি যোৱাৰ চেষ্টা চলাইছে মুম্বাই আক্ৰমণৰ অভিযুক্তই। শেহতীয়াকৈ মাৰ্কিন শীৰ্ষ আদালতে ৰানাৰ শেষ সুযোগত প্ৰতিৰোধ লগাই দিয়াৰ লগে লগে মুম্বাই আক্ৰমণৰ অন্যতম ষড়যন্ত্ৰকাৰীক দেশখনৰ প্ৰশাসনে ভাৰতৰ হাতত প্ৰত্যৰ্পণ কৰাৰ পথ মুকলি হৈ পৰিছে।

# গণৰাজ্য দিৱস

শব্দই সমাজত যেতিয়া মৰম ভালপোৱা, ভাতৃত্ববোধৰ বাৰ্তা বিয়পাই তথা একেডাল এনাজৰীৰে সকলোকে বান্ধি ৰাখিব পৰাটোও দেশখনৰ প্ৰতি এক ডাঙৰ অৱদান।

এক সুস্থ সবল বাতাবৰণ সৃষ্টিৰে সমাজখনৰ লগতে নৱপ্ৰজন্মক সঠিক বাটেৰে আগুৱাই উৎকৃষ্ট আৰ্হি সৃষ্টি কৰিব পৰাটো দেশখনলৈ প্ৰত্যেকজন নাগৰিকৰ অন্যতম অৱদান।

নিজৰ লগতো ঘৰখনৰ বুনিয়াদ শক্তিশালী হ'লেহে একোখন দেশৰ সম্পদ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব পাৰি।

স্কুল কলেজৰ পৰীক্ষাত যি দৰে মেধাৰ ভিত্তিত আমাৰ মূল্যাংকন হয়, ঠিক সেইদৰে আমাৰ প্ৰত্যেকটো পদক্ষেপতে আমাৰ মূল্যাংকন হয় কাৰণ আমাৰ প্ৰত্যেকৰে জীৱনটো একো একোটা পৰীক্ষা। জীৱনৰ এই পৰীক্ষাত সঠিক মূল্যাংকননেৰে উত্তীৰ্ণ হ'বলৈ হ'লে প্ৰকৃত মানবীয় গুণৰ অধিকাৰী আমি হ'বই লাগিব।

দুদিনীয়া জীৱনটো আমি চিৰযুগমীয়া তেতিয়াহে কৰিব পাৰিম যেতিয়া নিঃস্বাৰ্থ মৰম-ভালপোৱা, দয়া, পৰোপকাৰ, সৎচিন্তা, কৰ্ম, আচাৰ ব্যৱহাৰেৰে নিজকে কু অভ্যাস, দম্ভ-অহংকাৰ ৰ পৰা শ যোজন দূৰৈত অৱস্থান কৰিব পাৰিম।

আহকচোন আজি এই পবিত্ৰ দিনটোতে আমি আত্মবিশ্লেষণেৰে দেশৰ প্ৰকৃত নাগৰিক তথা সম্পদ হিচাপে নিজকে কিমান মূল্যাংকননেৰে মূল্যাংকিত কৰিব পাৰো চাও আৰু মূৰ দাঙি বুকু ফিন্দাই আনকো কওঁ।

পুনৰ গণতন্ত্ৰ দিৱসৰ শুভেচ্ছাৰে, ভাৰত মাতাকি জয়, জয় হিন্দ।

# জাপানৰ শীৰ্ষ চৰকাৰী বিষয়াসকলক

বিশদভাৱে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জাপানৰ পৰ্যটন মন্ত্ৰীগৰাকীক অৱগত কৰে। পৰৱৰ্তী সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা হিৰোছিমাত উপস্থিত হৈ হিৰোছিমা শান্তি স্মাৰকত পুষ্প অৰ্পণ কৰি হিৰোছিমা আক্ৰমণত নিহতসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু শান্তি স্মাৰকৰ সমীপতে স্থাপিত জাতিৰ পিতা মহাত্মা গান্ধীৰ আবক্ষ মূৰ্তিতো শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখ্য যে ২০২৩ চনত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জাতিৰ পিতাৰ আবক্ষ মূৰ্তিটো উন্মোচন কৰিছিল। প্ৰকৃতাৰ্থত হিৰোছিমা শান্তি স্মাৰকৰ সমীপত বাপুৰ আবক্ষ মূৰ্তিটোৱে শান্তি আৰু অহিংসাৰ এক শক্তিশালী বাৰ্তাৰ স্বাক্ষৰ বহন কৰিছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ব্যক্ত কৰে। লগতে কামেদা ছেইকাৰ মুখ্য কাৰ্যবাহী বিষয়া শ্ৰীলেখ ৰাজ জুনেজোক সাক্ষাৎ কৰি অসমৰ সমৃদ্ধিশালী খাদ্য সংসাধন খণ্ডত বিনিয়োগৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আমন্ত্ৰণ জনায়। লগতে জুনেজোক শেহতীয়াকৈ প্ৰবাসী ভাৰতীয় সন্মান বঁটা ২০২৫ লাভ কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অভিনন্দন জ্ঞাপন কৰে। একেদৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জাপান যাত্ৰাৰ অন্যতম এক গুৰুত্বপূৰ্ণ দিশ হৈছে মাইক্ৰন মেম'ৰী ফেচিলিটী পৰিদৰ্শনেৰে কোম্পানীটোৰ উপাধ্যক্ষ জোছুৱা লীৰ সৈতে হোৱা বৈঠক। জাগীৰোডৰ ইলেক্ট্ৰ'নিক টাউনশ্বিপক বিশ্বব্যাপী ছেমিকণ্ডাক্টৰ হাব হিচাপে গঢ়িবলৈ লোৱাৰ সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লীৰ সৈতে মত বিনিময় কৰি তেওঁলোকক অসমৰ ছেমিকণ্ডাক্টৰ উদ্যোগৰ বিকাশ যাত্ৰাত সহযোগিতা আগবঢ়োৱাৰ বাবে অংশীদাৰ হ'বলৈ আমন্ত্ৰণ জনায়। আনহাতে হিৰোছিমাৰ পৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত হয় ওছাকাৰ এডভাণ্টেজ আছাম ৰোড শ্ব'ত। ৮০ গৰাকীতকৈও অধিক উদ্যোগীৰ সৈতে হোৱা বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ২০৩০ৰ ভিতৰত অসমৰ জিএছডিপিক আমি ১৪৩ বিলিয়ন আমেৰিকান ডলাৰলৈ লৈ যোৱাৰ লক্ষ্য স্থিৰ কৰিছোঁ তথা অসমক ভাৰতৰ পৰৱৰ্তী অৰ্থনৈতিক কেন্দ্ৰ হিচাপে সাজু কৰি তুলিব বিচাৰিছোঁ। বিশ্বৰ ভিন্ন প্ৰতিষ্ঠানসমূহৰ বাবে অসমৰ ৰচ বিলিয়ন আমেৰিকান ডলাৰৰ আন্তঃগাঁথনি বিনিয়োগৰ পৰিকল্পনা এক বৃহৎ সুযোগ হিচাপে পৰিগণিত হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০২৪ চনত চাৰি বিলিয়ন আমেৰিকান ডলাৰৰ ব্যক্তিগত বিনিয়োগ লাভ কৰিবলৈ সক্ষম হোৱাৰ বিষয়টোও উল্লেখ কৰি কয় যে এই পৰিসংখ্যা এতিয়ালৈকে সৰ্বাধিক। অসমৰ জনসাধাৰণৰ হৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ওছাকাৰ উদ্যোগীসকলক এডভাণ্টেজ আছাম ২.০ত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনাই অসমৰ বিকাশৰ যাত্ৰাত অংশীদাৰ হ'বলৈ অনুৰোধ জনায়। ব্যৱসায়িক নেতৃবৃন্দৰ সৈতে বাৰ্তালাপৰ পাছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কানচাই পেইন্টছৰ কাৰ্যবাহী বিষয়া আৰু ভাৰতৰ ব্যৱসায়ৰ মুৰব্বী প্ৰবীণ চৌধুৰীৰ সৈতে এক বৈঠকত মিলিত হয় আৰু তেওঁক অসমৰ দ্ৰুতগতিত বৰ্ধিত বজাৰত সুযোগ অম্বেষণ কৰিবলৈ আমন্ত্ৰণ জনায়। সেইদৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আইআইটিৰ সহযোগত ষ্টাৰ্টআপৰ দিশত কাম কৰি থকা এনৰিচন ইণ্ডিয়া কেবিটেলৰ প্ৰতিষ্ঠাপক তথা মুখ্য কাৰ্যবাহী বিষয়া যুচুকে কাকিমোটোৰ সৈতে এক বৈঠকেৰে ব্যস্ততাপূৰ্ণ দিনটোৰ সমাপ্তি ঘটায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গোটেটোক অসমৰ ষ্টাৰ্টআপ পৰিস্থিতিতন্ত্ৰৰ বিকাশেৰে আৰু ষ্টাৰ্টআপৰ উদ্যোগীসকলক প্ৰশিক্ষণ দিবলৈ আহ্বান জনায়।

# দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কেৰিয়াৰ পৰামৰ্শ অনুষ্ঠান



ৰঙিলী বাৰ্তা সেৱা- কামৰূপ জিলাৰ হাজোৰ কুলহাটীস্থিত দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখন কেৰিয়াৰ পৰামৰ্শ সভা ২১ জানুৱাৰীত দিনৰ ১ বজাত অনুষ্ঠিত হয়। স্নাতকোত্তৰ শিক্ষয়ত্ৰী ড° ৰঞ্জিতা গোস্বামীয়ে আঁত ধৰা আৰু দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সূৰ্য কুমাৰ ভট্টাচাৰ্যই সভাপতিত্ব কৰা কেৰিয়াৰ পৰামৰ্শ সভাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ৰাজ্যখনৰ এগৰাকী আগশাৰীৰ কেৰিয়াৰ পৰামৰ্শদাতা তথা অসম ডন বস্কো' বিশ্ববিদ্যালয়. প্ৰযুক্তি বিদ্যাপীঠৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ মুৰব্বী ড° বুলজিৎ বুঢ়াগোহাঁই। ড° বুঢ়াগোহাঁয়ে শিক্ষাৰ্থীসকলে হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত কি কি বিষয় অধ্যয়ন কৰিলে ভৱিষ্যতে কেনেধৰণৰ কেৰিয়াৰ গঢ়াৰ সুবিধা লাভ কৰিব পাৰে, তাৰ বিষয়ে আলোচনা কৰে। ব্যক্তিত্বৰ লগতে নিজৰ ৰাপ, পাৰদৰ্শিতা অনুসৰি শিক্ষাৰ্থীসকলে কেৰিয়াৰ নিৰ্বাচন কৰিলে কলা, বিজ্ঞান বা বাণিজ্য যিকোনো শাখাৰ পাঠ্যক্ৰমতে ভালদৰে উত্তীৰ্ণ হৈ নিজৰ দক্ষতা প্ৰকাশ কৰিব পাৰিলে সংস্থাপনৰ সুবিধা লাভ কৰিব পাৰে বুলি ড° বুলজিৎ বুঢ়াগোহাঁয়ে উল্লেখ কৰে। ড° বুঢ়াগোহাঁয়ে বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষা তথা নিযুক্তিৰ বাবে আয়োজন কৰা সাক্ষাৎকাৰবোৰত সাধাৰণ জ্ঞানৰ প্ৰয়োজনীয়তাৰ বিষয়েও উল্লেখ কৰে।পৰম্পৰাগত সাধাৰণ জ্ঞান আহৰণ কৰিবলৈ বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে সকলো বিষয়ৰ পাঠ্য পুথি ভালদৰে অধ্যয়ন কৰা, সাম্প্ৰতিক ঘটনা প্ৰবাহৰ জ্ঞান আহৰণ কৰিবৰ বাবে দৈনিক বাতৰি কাকত তথা বিভিন্ন আলোচনীৰ নিয়মীয়াকৈ পঢ়াৰ অভ্যাস গঢ়া, নিয়মীয়াকৈ ৰেডিঅ'ৰ বাতৰি অনুষ্ঠান আৰু টেলিভিছনৰ বাতৰি অনুষ্ঠানবোৰৰ পৰা আহৰণ কৰা জ্ঞানবোৰ লিপিবদ্ধ কৰি ৰাখিব লাগে বুলি উল্লেখ কৰে। দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱম আৰু একাদশ শ্ৰেণীৰ শিক্ষাৰ্থী তথা শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থকা কেৰিয়াৰ পৰামৰ্শ সভাখনত ড° বুলজিৎ বুঢ়াগোহাঁয়ে শিক্ষাৰ্থীসকলৰ বিভিন্ন প্ৰশ্নৰ সমিধান আগবঢ়োৱাৰ লগতে প্ৰতি শনিবাৰে বিয়লি ৬ বজাৰৰ পৰা ৯বজালৈ ফোনযোগে বিনামূলীয়াকৈ কেৰিয়াৰ পৰামৰ্শ আগবঢ়োৱাৰ বিষয়েও অৱগত কৰে।

## এডভান্টেজ আছাম ২.০ৰ

আন্তঃগাঁথনি, ঔদ্যোগিক উন্নয়নৰ ক্ষেত্ৰত নিজকে নতুনকৈ সংজ্ঞায়িত কৰি অসমে শেহতীয়া বছৰবোৰত এক উল্লেখযোগ্য পৰিৱৰ্তন সাধন কৰিছে। মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শিক্ষাখণ্ডত বৈপ্লৱিক পৰিৱৰ্তন আনিবলৈ প্ৰযুক্তি শক্তিক ব্যৱহাৰ কৰাৰ বিষয়ে উল্লেখ কৰি কয় যে বিদ্যালয়সমূহৰ বাবে এটা এআইচালিত পৰিচালনা ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে, যিয়ে প্ৰতিজন ছাত্ৰৰ প্ৰদৰ্শনৰ ওপৰত বাস্তৱ সময়ৰ আপডেট সক্ষম কৰে আৰু শিক্ষক-অভিভাৱকৰ মাজত যোগাযোগ ৰক্ষা কৰে। শৈক্ষিক পৰিৱেশৰ পুনৰ গঠনৰ প্ৰতি আমাৰ দায়বদ্ধতা বিনিয়োগৰ জৰিয়তে স্পষ্ট হৈছে। ৰাজ্যখনত চিকিৎসা আৰু অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ সংখ্যা বৃদ্ধি কৰা হৈছে। ২০২৬-২৭ চনৰ ভিতৰত আৰু অধিক প্ৰতিষ্ঠান মুকলি হ'ব। বিজ্ঞান আৰু প্ৰযুক্তিৰ বাবে এখন বিশ্ববিদ্যালয় ইতিমধ্যে আৰম্ভ কৰা হৈছে। এআই আৰু এমএলৰ দৰে নতুন যুগৰ প্ৰযুক্তিৰ ওপৰত মনোনিৱেশ কৰা আন এখন বিশ্ববিদ্যালয়ো আৰম্ভ কৰা হ'ব আৰু এই বিশ্ববিদ্যালয়খন অতি সোনকালে কাৰ্যক্ষম হ'ব। মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আৰু কয় যে যোৱা দশকত ৰাজ্যখনৰ ২৫ শতাংশ জনসংখ্যাক বহুমাত্ৰিক দৰিদ্ৰতাৰ পৰা উলিয়াই আনি স্থায়ী অগ্ৰগতিৰ এক শক্তিশালী ভেটি স্থাপন কৰা হৈছে। অসমত দ্ৰুতগতিত ঔদ্যোগিক বৃদ্ধি হৈছে। সেয়ে উদ্যোগীসকলক পূব ভাৰত বিশেষকৈ অসমৰ সুযোগসমূহ অন্বেষণ কৰিবলৈ এডভান্টেজ আছাম ২.০ত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনাই মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয় যে অসম চৰকাৰে ছাত্ৰ-ছাত্ৰীক দক্ষতা প্ৰদান আৰু নিয়োগযোগ্য কৰ্মশক্তিৰ সৃষ্টিৰ বাবে ইতিমধ্যে অসম দক্ষতা বিশ্ববিদ্যালয়ো প্ৰতিষ্ঠা কৰিছে। দক্ষ জনশক্তিৰ অবিৰত যোগান সুনিশ্চিত কৰি ৰাজ্যখনত বিনিয়োগ কৰিবলৈ সাজু হোৱাসকলক চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। হায়দৰাবাদত হোৱা এই ৰোড শ্ব'ত ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব ড° বি কল্যাণ চক্ৰৱৰ্তীয়ে পৰ্যটন খণ্ডত থকা বিনিয়োগৰ সুবিধাৰ ওপৰত আলোকপাত কৰে।

## মাজবাট ধৰ্ষণকাণ্ডৰ ৫ অভিযুক্তক

খোজকঢ়াই লৈ যায়। উক্ত স্থানত থকা আন তিনিজন যুৱকে কিশোৰীগৰাকী আৰু তেওঁৰ বন্ধু ৰাজক মাৰধৰ কৰে। সমান্তৰালভাৱে ৰাজক মুস্তাক আহমেদে আঁঠু কঢ়াই উক্ত স্থানত ৰখাই থৈ দিয়ে। সেই সময়তে মহিদুল ইছলাম, অভিজুল আলী, ছাদ্দাম হুছেইন আৰু এহছান আহমেদে কিশোৰীগৰাকীক চাহ বাগিচাৰ ভিতৰলৈ নি ধৰ্ষণ কৰে। পাছত ৰাজক ৰখি থকা মুস্তাক আহমেদেও কিশোৰীগৰাকীক ধৰ্ষণ কৰে। পৰৱৰ্তী সময়ত কিশোৰীগৰাকীৰ পৰিয়ালে মাজবাট আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। এই এজাহাৰৰ ভিত্তিত ভাৰতীয় দণ্ডবিধিৰ ৩৬৫/৩৭৬ (ডি)/৩২৩/৫০৬ ধাৰাত এটা গোচৰ ৰুজু কৰে। গোচৰ ৰুজু কৰাৰ পাছতে তদন্ত আৰম্ভ কৰি আৰক্ষীয়ে আটাইকেইজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈও সক্ষম হয়। সেইসময়ত এই ঘটনাই সমগ্ৰ মাজবাটতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। স্থানীয় লোকসকলৰ লগতে দল-সংগঠনসমূহে প্ৰতিবাদ সাব্যস্ত কৰি আটাইকেইজন অভিযুক্তক মৃত্যুদণ্ডৰ দাবী উত্থাপন কৰে। পৰৱৰ্তী সময়ত এই ঘটনাৰ বিচাৰ প্ৰক্ৰিয়া জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতত আৰম্ভ হয়। আৰক্ষীৰ তথ্য- প্ৰমাণ তথা সাক্ষ্যৰ ভিত্তিত আজি ছমাহৰ অন্তত আদালতে অভিজুল, মুস্তাক, মুহিদুল, এহছান আৰু ছাদ্দামক যাৱজ্জীৱন কাৰাদণ্ড বিহে।

## কলকাতা আৰ জি কৰ

পিতৃগৰাকীয়ে প্ৰকাশ কৰা মতে, তেওঁলোকে ক্ষতিপূৰণ বিচৰা নাছিল। বিচাৰিছিল ন্যায়। ইফালে আদালতে দিয়া ৰায়ক লৈ পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰিছে। কলকাতা আৰক্ষীৰ পৰা বলপূৰ্বকভাৱে তদন্ত চিবিআইৰ হাতলৈ নিয়াৰ বাবে আদালতৰ ৰায় বিচৰা ধৰণৰ নহ'ল বুলি কয় মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে, কলকাতা আৰক্ষীৰ দ্বাৰা যদি তদন্ত কৰিলেহেঁতেন, তেতিয়া হ'লে আদালতৰ ৰায় পৃথক হ'লহেঁতেন। চিবিআইৰ তদন্তক লৈ প্ৰায় অসন্তুষ্টি ব্যক্ত কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়- আমি সকলোৱে মৃত্যুদণ্ডৰ দাবী কৰিছিলোঁ। কিন্তু আদালতে যাৱজ্জীৱন কাৰাদণ্ডহে দিলে। কলকাতা আৰক্ষীয়ে তদন্ত কৰিলে মৃত্যুদণ্ড হোৱাটো নিশ্চিত আছিল। আমি নাজানো কিদৰে তদন্ত কৰা হ'ল। ৰাজ্যৰ আৰক্ষীৰ এনেধৰণৰ ঘটনাৰ তদন্তৰ ৰায় মৃত্যুদণ্ড নিশ্চিত হৈছিল। লক্ষণীয় যে আদালতৰ মজিয়াত দোষী সঞ্জয় ৰায়ে নিজকে নিৰীহ বুলি দাবী কৰাৰ লগতে তেওঁৰ বিৰুদ্ধে ভুলকৈ দোষ জাপি দিয়া বুলিও দাবী কৰে।

## পত্নীক হত্যা কৰি

টুকুৰাৰ পৰা মাংস কাটি উলিয়ায় আৰু যিখিনি উলিয়াব নোৱাৰে সেইখিনি প্ৰেছাৰ কুকাৰত সিজায়। তিনিদিন ধৰি প্ৰেছাৰ কুকাৰত সিজোৱাৰ পাছত এই সিজোৱা টুকুৰাবোৰ ওচৰৰে মীৰপিট হ্ৰদত পেলাই দিয়ে। এই স্বীকাৰোক্তিৰ পিছতে আৰক্ষীয়ে প্ৰাক্তন সেনা জোৱান পত্নী হত্যাকাৰীক হ্ৰদৰ ওচৰলৈ লৈ যায়। তাত বিচাৰি চলাথ কৰে যদিও কোনো শুংসূত্ৰ উলিয়াব পৰা নাই। আনকি আৰক্ষীয়ে মৃতদেহৰ অংশ উদ্ধাৰ কৰিবলৈ কুকুৰৰো সহায় লৈছে। হ্ৰদত মৃতদেহৰ কোনো অংশ উদ্ধাৰ কৰিবলৈ সক্ষম নহ'লেও আৰক্ষীয়ে অভিযান চলাই আছে। তাৎপৰ্যপূৰ্ণ যে দাম্পত্য জীৱনত প্ৰাক্তন সেনা জোৱান স্বামী আৰু পত্নী মাধৱীৰ মাজত দীৰ্ঘদিন ধৰি কাজিয়া চলি আহিছিল। এই কাজিয়াৰ সময়ত স্বামীয়ে পত্নীক প্ৰায়ে মাৰধৰ কৰে। হত্যাৰ কাৰণ এতিয়াও আৰক্ষীয়ে উলিয়াব পৰা নাই।

## মৰিয়নিত নগা দুৰ্বৃত্তৰ

উপদ্ৰৱ চলাইছে। শেহতীয়াভাৱে নাগা দুৰ্বৃত্তৰ দলে মৰিয়নিৰ ৰজাবাৰীত তাণ্ডৱ চলাইছে। এই পৰিস্থিতিৰ অৱসানৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু দুয়োখন ৰাজ্যৰ চৰকাৰে আলোচনা কৰি স্থায়ী সমাধানৰ বাট মোকলোৱা উচিত।" আম আদমী পাৰ্টিৰ ৰাজ্যিক সাধাৰণ সম্পাদক শইকীয়াই নাগালেণ্ড ৰাজ্য গঠনৰ সময়ত যি সীমা নিৰ্ধাৰণ কৰা হৈছিল সেই সীমাই দুয়োখন ৰাজ্যৰ সীমা হোৱা উচিত বুলি মন্তব্য প্ৰকাশ কৰে। তদুপৰি অসমৰ জনসাধাৰণে কোনোপধ্যেই নগাৰ আগ্ৰাসন মানি নোলোৱাৰ স্থিতি প্ৰকাশ কৰে।

## ডিব্ৰুগড়ত গণৰাজ্য

মাৰ্চলৈ পৌৰসভা আৰু পৌৰ নিগমৰ অধীনত থকা অঞ্চলত সকলো ধৰণৰ চাফ চিকুনকৈ ৰাখিবলৈ ইতিমধ্যে অসম চৰকাৰৰ ফালৰ পৰা নিৰ্দেশ জাৰি কৰিছে বুলি ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰই জানিবলৈ দিয়ে। তেওঁ আৰু কয় যে ডিব্ৰুগড় চহৰখন চাফ চিকুনকৈ ৰখাৰ দায়িত্ব আমাৰ সকলোৰে। আমি নিগমৰ অন্তৰ্গত ঠাইবোৰত জাবৰ জোঁঠৰ যাতে জমা হৈ নেথাকে তাৰ বাবে নিগমৰ গাড়ীৰে প্ৰতিদিনে ছাফা কৰাৰ লগতে চহৰ খনত পোহৰৰ ব্যৱস্থা কৰি থকা হৈছে। মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড়ত এইবাৰ ২৬ জানুৱাৰীৰ গণতন্ত্ৰ দিৱসত পতাকা উত্তোলন কৰিব, যাৰ বাবে ডিব্ৰুগড়বাসী উৎফুল্লিত হৈ আছে। তেওঁ আৰু কয় যে অহা ২৫ জানুৱাৰীৰ আগতে আমি নিগমৰ অন্তৰ্গত সকলো ঠাইতে চাফ চিকুন তথা পোহৰৰ ব্যৱস্থা আদিত গুৰুত্ব আৰোপ কৰিম।

## লোকনিৰ্মাণ বিভাগৰ

গৰাকীকৈ সহকাৰী অভিযন্তাৰ আনুষ্ঠানিক নিযুক্তি পত্ৰ বিতৰণৰ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটিত মুখ্য অতিথিৰূপে উপস্থিত থাকে লোকনিৰ্মাণ পথ (PMGYS) বিভাগৰ মন্ত্ৰী শ্ৰীযুত কৃষ্ণেন্দু পাল, লগতে উপস্থিত থাকে লোকনিৰ্মাণ (পথ) বিভাগৰ বিশেষ আয়ুক্ত ও বিশেষ সচিব চন্দন শৰ্মা, বিশেষ সচিব দেবজিৎ ভূঞা, সচিব পৱন টেৰাং তথা লোকনিৰ্মাণ বিভাগৰ মুখ্য অভিযন্তা, উপ সচিব, অৱৰ সচিব প্ৰমুখ্য অন্যান্য বিষয়া কৰ্মচাৰীবৃন্দ। সভাৰ আদৰণি ভাষণ প্ৰদান কৰে সচিব পৱন টেৰাঙে। মুখ্য অতিথিৰ ভাষণত মন্ত্ৰী শ্ৰীকৃষ্ণেন্দু পালে ৰাজ্যৰ সৰ্বাংগীন উন্নয়ণৰ বাবে নিষ্ঠাৰে দায়িত্ব সম্পাদন কৰি যাবলৈ আহবান জনায়। ইয়াৰ পিছতে নিযুক্তি পত্ৰ সমূহ প্ৰাৰ্থীসকলক প্ৰদান কৰা হয়। সভাত অন্তত শলাগৰ শৰাই আগবঢ়ায় অধীক্ষক অভিযন্তা (যান্ত্ৰিক) নয়নজ্যোতি বৰ্মনে।

# ENGLISH NEWS SECTION

## Raj Bhavan Assam celebrates foundation day of Uttar Pradesh



Guwahati, RB News: In an attempt to celebrate the cultural richness of the country and its unique traditions, Raj Bhavan Assam under the leadership of Governor Shri Lakshman Prasad Acharya, celebrated the foundation day of Uttar Pradesh at a programme held at GMCH auditorium here on Friday.It may be noted that as a part of Government of India's decision to celebrate the statehood days of different states in the Raj Bhavans across the country, Raj Bhavan Assam celebrated the foundation day of Uttar Pradesh in the presence of people belonging to Uttar Pradesh. The Day was celebrated to promote and cherish the nation's cultural diversity and its rich traditions.Speaking on the occasion, Governor Shri Acharya highlighted the significant role played by residents of Uttar Pradesh who work in Assam. He stressed that it is their responsibility to equally love and respect their place of work, Assam, including its language, culture, and traditions. This, he said, would strengthen the bond of unity among the people of the states. The Governor further emphasized that respect for one's motherland must remain a top priority. He urged everyone to fulfill their duties in a manner that contributes to the nation's progress and helps India regain its stature as Vishwaguru.

## Assam Governor attends celebration of the 15th National Voters' Day



Guwahati,RB News: Voters are the backbone of democracy, and their participation is crucial for the health of democracy", said Assam Governor Shri Lakshman Prasad Acharya while attending the 15th National Voters' Day celebration, at NEDFi House in Dispur. Addressing the occasion, Governor Shri Acharya outlined the importance of voters in democracy, and said that the day is celebrated annually on January 25 to create awareness about the right to vote. Stating that the voters are the backbone of democracy, he called upon the voters especially the first time voters to participate actively in elections. He moreover, observed that participation of voters in voting processes contributes to nation's progress, prosperity, and development. The Governor also said that the theme "Nothing like voting, I vote for sure," with which National Voters' Day has been celebrated serves as a reminder to eligible voters to step forward and participate in election processes.

## Arshdeep Singh becomes India's highest wicket-taker in T20Is



RB News: Arshdeep Singh broke Yuzven-dra Chahal's record to become India's leading wicket-taker in T20 internationals. The left-arm fast bowler picked two wickets in his first spell in the first T20I of a five-match series against England in Kolkata on Wednesday, January 22. Arshdeep took his tally to 97 wickets, going past Yuzvendra Chahal's record of 96 wickets. Arshdeep went past the milestone in his 61st match for India in the shortest format of the game. Notably, Arshdeep made his T20I debut in July 2022.

## Ravichandran Ashwin conferred with Padma Shri




RB News: Cricketer Ravichandran Ashwin, who retired from international cricket in December 2024, has been conferred with Padma Shri, the fourth-highest civilian award of India. Ashwin is the second-highest wicket-taker for India in international cricket. He took 765 wickets. He was a part of India's squads that won ODI World Cup 2011 and Champions Trophy 2013.

## India defeated England by two wickets



RB News: Tilak Varma's fifty of rare brilliance helped India survive a top-order meltdown against England pacers and register a two-wicket win in the second T20I in Chennai and take a 2-0 lead in the five-match series here on Saturday. Tilak 72 runs off 55 balls cleverly used the extreme pace of English bowlers to amass runs, and singlehandedly took India past the target, as the hosts finished the night at 166 for eight.With the win, India extended their winning streak in T20I cricket at home to 10 matches. This is the second time that India have won at least 10 matches in a row at home in T20I history.

## D Gukesh becomes India's No. 1 chess player




RB News: D Gukesh continued his rapid rise as the 18-year-old became the new India's no.1 chess player in the latest FIDE rankings, released on Thursday. Gukesh achieved the feat after beating Vincent Keymer of Germany in the ongoing Tata Steel Tournament in Wijk Aan Zee, Netherlands.Gukesh's latest triumph brings his rating to 2784 points, overtaking Erigaisi, who had long held the title of India's highest-ranked player. Erigaisi, who previously occupied the fourth spot, has now dropped to fifth place with 2779.5 points.

# কিষাণ বিকাশ পত্ৰ (KVP)কি আৰু ইয়াত

(এনএছচি)ৰ দৰে কৰৰ সুবিধাসমূহ বিনিয়োগকাৰীয়ে লাভ নকৰে। কিষাণ বিকাশ পত্ৰত কৰা বিনিয়োগে আয়কৰৰ ধাৰা ৮০ চিৰ অধীনত কোনো ধৰণৰ কৰ কৰ্তনৰ ব্যৱস্থা নকৰে। কৰ-দক্ষ বিনিয়োগৰ বিকল্প বিচৰা সকলৰ বাবে ই এক সুবিধাজনক বিনিয়োগৰ আঁচনি নহয়।

**খ) কৰযোগ্য সুতঃ** কিষাণ বিকাশপত্ৰৰ বিনিয়োগৰ পৰা উপাৰ্জন কৰা সুত বিনিয়োগকাৰীৰ আয়কৰ স্তৰ (স্লেব)অনুসৰি সম্পূৰ্ণৰূপে কৰযোগ্য। ইয়াৰ ফলত বিশেষকৈ উচ্চ কৰ ব্ৰেকেটৰ বিনিয়োগকাৰীৰ বাবে ফলপ্ৰসূ প্ৰতিদান (ৰিটাৰ্ণ) হ্ৰাস পায়।

**গ) লক-ইনৰ সময়সীমাঃ** কিষাণ বিকাশ পত্ৰ বিনিয়োগৰ সৈতে ১১৫ মাহৰ দীঘলীয়া লক-ইন সময়, অৰ্থাৎ বিনিয়োগৰ টকা জমা কৰি ৰখাৰ এক নিৰ্দিষ্ট সময় থাকে, যিটো হ্ৰস্বম্যাদী তাৰল্য (লিকুইডিটি) বিচৰা ব্যক্তিসকলৰ বাবে কিষাণ বিকাশ পত্ৰত বিনিয়োগ এক আদৰ্শ বিনিয়োগ নহ'বও পাৰে। অকালতে বা পৰিপক্কতা লাভৰ পূৰ্বেই টকা উলিওৱাৰ অনুমতি আছে যদিও ইয়াৰ বাবে জৰিমনা বিহা হয়।

**ঘ) মুদ্ৰাস্ফীতিৰ আশংকাঃ** যিহেতু কিষাণ বিকাশ পত্ৰত বিনিয়োগৰ পৰা বিনিয়োগকাৰীৰ বাবে প্ৰতিদান বা ৰিটাৰ্ণ নিৰ্দিষ্টহৈ থাকে, গতিকে দীৰ্ঘম্যাদী ভাৱে বিশেষ কৈ উচ্চ মুদ্ৰাস্ফীতিৰ সময়ছোৱাত কিষাণ বিকাশ পত্ৰত বিনিয়োগে মুদ্ৰাস্ফীতিৰ লগত খোজ মিলাব নোৱাৰিবও পাৰে। ইয়াৰ ফলত বিনিয়োগৰ পৰা লাভ কৰা প্ৰতিদান বা ৰিটাৰ্ণৰ প্ৰকৃত মূল্য ক্ষয় হয়।

**সামৰণিঃ** কিষাণ বিকাশ পত্ৰই সময়ৰ লগে লগে আপোনাৰ সঞ্চয় বৃদ্ধি কৰাৰ এক নিৰাপদ, সুৰক্ষিত, আৰু নিশ্চিত উপায় আগবঢ়াইছে। কিষাণ বিকাশ পত্ৰত বিনিয়োগৰ ক্ষেত্ৰত অন্যান্য চৰকাৰী আঁচনিৰ দৰে কিছুমান কৰ সুবিধাৰ অভাৱ আছে যদিও এই আঁচনিৰ নিশ্চিত বিনিয়োগ দুগুণ বৃদ্ধিয়ে ইয়াক ক্ষুদ্ৰসঞ্চয়কাৰী, গ্ৰাম্য বিনিয়োগকাৰী আৰু কম বিপদজনক বিকল্প বিচৰা সকলৰ মাজত জনপ্ৰিয় পছন্দ বুলি বিবেচিত হৈছে। ইয়াৰ সৰলতাৰ লগতে চৰকাৰী সমৰ্থনে নিশ্চিত কৰে যে কিষাণ বিকাশ পত্ৰ (কেভিপি) আৰ্থিক সুৰক্ষা আৰু স্থিতিশীলতা বিচৰা লাখ লাখ ভাৰতীয়ৰ বাবে এক বিশ্বাস যোগ্য বিনিয়োগ হৈ থাকিব।





JANASANYOG- 4074/24/26-Jan-25

| জিলা | কেন্দ্ৰসমূহৰ নাম |
|---|---|
| ধুবুৰী | গোলকগঞ্জ, পাগলাহাট, টাকিমাৰী, চাপৰ, গৌৰীপুৰ, বেলগুড়ি, এফ এছ ডি বালাজান, বহলপুৰ |
| কোকৰাঝাৰ | ফকিৰাগ্ৰাম, দতমা, কাৰিগাঁও, এফ এছ ডি গোসাঁইগাঁও, ভাওৰাগুড়ি |
| চিৰাং | কাজলগাঁও, ঝুণীখাতা, বড়োবজাৰ |
| বঙাইগাঁও | অভয়াপুৰী, মাণিকপুৰ |
| গোৱালপাৰা | কৃষ্ণাই, মাটিয়া, জলেশ্বৰ, এফ এছ ডি গোৱালপাৰা, বংজুলি, লক্ষীপুৰ |
| বৰপেটা | বৰনগৰ, হাউলী, এফ এছ ডি সৰভোগ, চেঙা, বৰপেটা ৰোড (FCI), বৰপেটা ৰোড (NAFED) |
| বজালী | পাঠশালা, ভৱানীপুৰ, খৰাধৰা, ভালুকী, পুহিমাৰী |
| বাক্সা | বাগানপাৰা, ভোটেপোৱাবড়ী, গোবৰ্ধনা, মুছলপুৰ |
| তামুলপুৰ | তামুলপুৰ, গোৰেশ্বৰ |
| নলবাৰী | মৰোৱা, কপলাবৰী, কেন্দুকুছি, ঘগ্ৰাপাৰ (AFCSCL), চামতা, টিহু, ঘগ্ৰাপাৰ (NAFED), পৰমানখোৱা (টিহু) |
| কামৰূপ | দদৰা, বড়িয়া, ৰঙিয়া, বৰিহাট, ছয়গাঁও, সোণতলী, বকো, এফ এছ ডি চাংসাৰি, বাইহাটা, বিজয়নগৰ |
| কামৰূপ (মহানগৰ) | মালয়বাৰী |
| ওদালগুৰি | টংলা, ওদালগুৰি, হাবিগাঁও, কলাইগাঁও, ভকতপাৰা, এফ এছ ডি টংলা |
| দৰং | মঙলদৈ (AFCSCL), খাৰুপেটিয়া (AFCSCL), ৰাম হৰি, বৰকুলিয়াকাৰ, দলগাঁও, মঙলদৈ (NAFED), বলোগোৰা, ওআগাঁও, খাৰুপেটিয়া (NAFED) |
| শোণিতপুৰ | ঢেকিয়াজুলি, বৰচলা, মিছামাৰী, জামুগুৰি, এফ এছ ডি বিশ্বনুৰী |
| বিশ্বনাথ | গহপুৰ, বিশ্বনাথ, চতিয়া |
| মৰিগাঁও | জাগীৰোড, মনহা, দোলবাৰী, ভুৰবন্ধা, ঔজাৰী, কুশতলি, জাগুণ্ডি, জাগীভকতগাঁও |
| নগাঁও | চাপৰমুখ, নিজ ধিং, বটদ্ৰৱা, ৰূপহী, কলিয়াবৰ, কঠিয়াতলী, কামপুৰ, বেবেজীয়া, কাচমাৰী, ৰহা, মিকিৰগাঁও, এফ এছ ডি শেনচোৱা |
| হোজাই | ডালুকমাৰী, পুব ধনুৱাবস্তি ,কবৈগুৰি, নীলবাগান, যমুনামুখ, কাকী, এফ এছ ডি হোজাই, মিলিকবস্তি, ইটাখোলা, বৰজোহা গাঁও, বালুহান্দৰ, ফকিৰাবস্তি, উত্তৰ বালুহান্দৰ, পুব নন্দপুৰ, পুব ধনীৰাম পথাৰ, লংকা |
| গোলাঘাট | বোকাখাত, গোলাঘাট, গমাৰীগুৰি, সৰুপথাৰ, দেৰগাঁও, এফ এছ ডি ফৰকাটিং |
| কাৰ্বি আংলং | হাওৰাঘাট, ডকমকা, বকলীয়া, ধনশিৰি, মাঞ্জা, বালিপথাৰ, এফ এছ ডি ডিফু, গণেশপুৰ, কাচমাৰী, বেং বেং কাৰনি |
| পশ্চিম কাৰ্বি আংলং | সাতগাঁও, নামতৰাডুবি |
| হাইলাকান্দি | হাইলাকান্দি, কাটলিচেৰা, এফ এছ ডি লালাবজাৰ |
| যোৰহাট | মাধপুৰ, নকছাৰি, ঢেকৰগোৰা, হাঁহচৰা, এফ এছ ডি যোৰহাট, টিয়ক |
| লক্ষীমপুৰ | ঢকুৱাখনা, এফ এছ ডি এন এল পি, শিমলুগুৰি, বঙালমৰা, নাওবৈচা |
| ডিব্ৰুগড় | খোৱাং, টেঙাখাত, এফ এছ ডি চাউলখোৱা |
| শিৱসাগৰ | নাজিৰা, এফ এছ ডি শিৱসাগৰ, ডিমৌ |
| ধেমাজি | চিলাপথাৰ, গোগামুখ, ধেমাজি, এফ এছ ডি আৰ্চিপথাৰ |
| চৰাইদেউ | সোনাৰি, সাপেখাতী |
| তিনিচুকীয়া | ধলা, মাকুম, পানীতোলা, কাকপথাৰ, শদিয়া |
| কাছাৰ | সোণাবাৰীঘাট, এফ এছ ডি ৰামনগৰ, কাবুগঞ্জ, পাইলাপুল |
| শ্ৰীভূমি | ফকিৰাবজাৰ, এফ এছ ডি নীলম বজাৰ |
| দক্ষিণ শালমাৰা - মানকাচৰ | হাটশিঙিমাৰী |
| ডিমা হাছাও | মাইবং |
| মাজুলী | মাজুলী |

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Connect with us @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি হোৱাটছএপ কৰক


ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286